
# প্ৰজ্ঞা

২০২০-২১ বৰ্ষ





















## বছৰেকীয়া আলোচনী

## প্ৰগতি মহাবিদ্যালয়, আগমনী





সম্পাদক

দিপুল চন্দ্ৰ ৰায়

# Teaching Staff



# Non Teaching Staff



# প্রগতি মহাবিদ্যালয়, আগমনী

## বার্ষিক আলোচনী

# প্রজ্ঞা

২০২০-২১ বর্ষ

প্রতি,

মাননীয় / মাননীয়া ..............................................................................

..............................................................................

বিপুল চন্দ্র রায়
সম্পাদক
"প্রজ্ঞা"

# Editorial Board


| | | |
|---|---|---|
| President | : | Mr. Basir Uddin Bepary, Principal |
| Convenor | : | Sunil Ch. Ray |
| Editor | : | Sri Dipul Ch. Ray |
| Member | : | Mala Mazumdar |
| | : | Mostafizur Rahman |
| | : | Ganesh Ch. Saha |
| | : | Parameswer Roy |
| | : | Rakesh Roy (GS) |
| | : | Dipanjoli Roy |

Decoration : Mr. Basir Uddin Bepari, Principal & Dipul Ch. Ray, Magazine Secretary.

Cover Desigining, DTP & Printing : M/s. R. B. Offset Press, Agomani. (Opposite of Agomani Dev. Block) Contact. 8011177610

# শ্ৰদ্ধাঞ্জলি

প্ৰগতি মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা বিভিন্ন দিশত সেৱা
আগবঢ়াই যোৱা প্ৰয়াত জ্ঞাত-অজ্ঞাত সকলো
হিতাকাঙ্খী, অসমৰ শিক্ষা জগত উজলাই
তোলা সমূহ বৰেণ্য ব্যক্তি তথা দেশ
মাতৃৰ সেৱাৰ হকে প্ৰাণ আহুতি
দিয়া সকলো বীৰ শ্বহীদ
সকলোৰ বিদেহী
আত্মাৰ
চিৰশান্তি কামনা কৰি প্ৰগতি মহাবিদ্যালয়ৰ
স্মৃতিগ্ৰন্থ "প্ৰজ্ঞা"ৰ
এই সংখ্যাটিৰে জনালোঁ অশ্ৰুসিক্ত
শ্ৰদ্ধাঞ্জলী..............।

# সূচীপত্ৰ


| বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|
| From the Principal's Desk | Mr. Basir Uddin Bepary | i |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ৰাকেশ ৰায় | iii |
| আলোচনী সম্পাদকৰ প্ৰতিবেদন | নিপুল চন্দ্ৰ ৰায় | iv |
| **কবিতা শিতান** | | |
| প্ৰগতি মহাবিদ্যালয় | সহাজালাল আনছাৰী | ১ |
| আগমনী প্ৰগতি মহাবিদ্যালয় | মমি ৰায় | ১ |
| পৰীক্ষা | সৰিফা খাতুন | ২ |
| বিদাই আচল ধন | আনি ৰায় | ২ |
| মৰমৰ আই | মমি ৰায় | ৩ |
| মোৰ আশা | বীনা মণ্ডল | ৩ |
| মন যায় | বিপুল মালাকাৰ | ৪ |
| কঠিন সময় | সৰিফা খাতুন | ৪ |
| মহত্বৰ চিন | দীপিকা ৰায় | ৫ |
| এটি সূৰ্য লাগে মোক | নিপাঞ্জলী ৰায় | ৫ |
| মোৰ মন যায় | আহমিনা খাতুন | ৬ |
| বিদ্যা আৰ্জন | আহমিনা খাতুন | ৬ |
| আশা | তাছফিয়া আহমেদ | ৭ |
| মৰমৰ হাবিবা | তাছফিয়া আহমেদ | ৭ |
| মই ভাৰতীয় | জেউতি ৰায় | ৮ |
| মনৰ অহংকাৰ | টুইন ৰায় | ৮ |
| মৰমৰ ভাই | জেউতি ৰায় | ৯ |
| প্ৰতিজ্ঞা | পৰিতোশ ৰায় | ১০ |

| বিষয় | লিখক | পৃষ্ঠা |
| --- | --- | --- |
| দানৱ | ৰোসনাৰা খাতুন | ১০ |
| ঐতিহাসিক ধুবুৰী চহৰ | ৰোসনাৰা খাতুন | ১১ |
| ভাল পাওঁ | প্ৰিতি ৰায় | ১২ |
| শিক্ষা আৰু ছাত্ৰ | সিৰাযুল হক | ১২ |
| জীৱন সংসাৰ হাট | মনোৱাৰা খাতুন | ১৩ |
| মই ভাবো | মজ্লিলা বেগম | ১৩ |
| বেদনা | উৰ্মি ৰায় | ১৪ |
| জীৱন সংগ্ৰাম | লতা ৰায় | ১৪ |
| প্ৰেয়সী | সঞ্জিত ৰায় | ১৫ |
| মাতৃ | টুম্পা ৰায় | ১৫ |
| ভাল পাওঁ | ৰাকেশ ৰায় | ১৬ |
| মোৰ মন যায় | উৰ্মি ৰায় | ১৬ |
| সপোন | প্ৰিয়ঙ্কা ৰায় | ১৭ |
| পথিলা | সূৰজ ৰবীদাস | ১৭ |
| গোলাপ | আইনুল হক | ১৮ |
| মা | জীতু ৰায় | ১৮ |

ৰাজবংশী কবিতা শিতান

| | | |
| --- | --- | --- |
| কান্দোন | ৰীতা ৰায় | ১৯ |
| তোৰ জইন্যে ৰয়া আছোং | উৰ্মি ৰায় | ১৯ |

বাংলা কবিতা শিতান

| | | |
| --- | --- | --- |
| সাগর ছোঁয়া আলো | ছাবৰিনা ইয়াছমিন | ২০ |
| আমার কোন জন্মভূমি নেই | ড০ কনশ্ৰী ব্যানাৰ্জী | ২১ |

| বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|
| **সংগ্ৰহ** | | |
| কাক কি বুলি জানো | উৰ্মী ৰায় | ২২ |
| মহৎ লোকৰ বানী | অনি ৰায় | ২৩ |
| মহৎ লোকৰ বানী | উৰ্মী ৰায় | ২৪ |
| সাৰ্থৰ | ৰিনা মণ্ডল | ২৫ |
| সাৰ্থৰ | সৰিফা খাতুন | ২৬ |
| **প্ৰবন্ধ শিতান** | | |
| স্মৃতি শক্তি | বিপুল মালাকৰ | ২৭ |
| মহাপুৰুষ শংকৰদেৱ আৰু গুৰু নানকৰ জীৱন শৈলীঃ এটি তুলনামূলক আলোচনা | মালা মজুমদাৰ | ২৯ |
| ঐতিহাসিক ধুবুৰী | জিয়ামনি দাস | ৩১ |
| শিক্ষাৰ প্ৰয়োজনীয়তা | দিপাঞ্জলী ৰায় | ৩৩ |
| নাৰী সমাজৰ মহাব্যাধি " যৌতক প্ৰথা" | মমী ৰায় | ৩৪ |
| **গল্প শিতান** | | |
| যেনে প্ৰশ্ন তেনে উত্তৰ | মঞ্জিলা ৰায় | ৩৫ |
| 'যেনে কৰ্ম তেনে ফল" | সঞ্জয় কুমাৰ সৰকাৰ | ৩৬ |
| আমি গাওঁলীয়া | নৱজ্যোতি ৰায় | ৩৭ |
| দুখীয়া মানুহক কেতিয়াও অৱহেলা কৰিব নালাগে | বিজু গাঙ্গুলী | ৩৮ |
| আজিৰ খবৰ | বিপুল মালাকাৰ | ৩৯ |
| বীৰ শ্বহীদ | ৰিংকি ৰায় | ৪০ |
| অচিন নৰাৰ অচিনাকি ছোৱালী | দীপশিখা ৰায় | ৪১ |
| সৎ বন্ধু | মঞ্জিলা বেগম | ৪২ |
| বাদামৱালা আৰু ছোৱালী | যীশুৰাম ৰায় | ৪৩ |

| বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|
| **বাজবংশী গল্পব শিতান** | | |
| ☞ বিবিধ লেখন | সোনালিস্থা বায় | ৪৪ |
| ☞ মাছবাত্তা আব কুকয়া পাখি | মহেন্দ্র অধিকাবী | ৪৬ |
| ***English Section*** | | |
| ☞ The Importance of English in India | Ashraful Hussain | 47 |
| ☞ A simple thinking about life | Smriti Roy | 48 |
| ☞ College Body | | 51 |




# From the Principal's Desk....................



Dear Students,

*" I can not teach anybody anything, I am only make them think" - Socrates. Open mindedness, a multi-cultural orientation, independence, a global outlook, multiple intelligence and abilities- these are the premium qualities needed today. I strongly believe that education is a collaborative effort that involves professional administrators, committed teachers and motiveted students. During my term as a Principal, I have been concentrating to develop the educational environment as well as its academic infrastructure through creative discussion with Staff and the Managing Committee of the College.*

*Because of the rapid developments in the technology, media revolution and the globalization of education, the ever expanding competitive environment are revolutionizing the education system. So,now-a-days a paradigm swing has been observed in higher education from school education. We live today in a world that is very different from the one we grew up, in the one we were educated in. The world today is changing at such an accelerated rate where, we, as educators need to pause and reflect on this entire system of education.*

*To conclude, I would like to express my thanks to the team of students and concerened teachers,without whose persevering efforts,the publication of the Magazine-"Pragya" would not have been possible. Also, I express my gratitude towards some conscious and education loving people, political and non-political parties as well as the educationists for their selfless counselling and co-operation which is conducive to an educational environment for the development of the College.*

*Together, we can make a difference!*

***" Education is the most powerful weapon which you can use to change the world."-***

***Nelson Mandela.***

Sd/- Dr. Basir Uddin Bepari

**Principal,**

**Progati College, Agomani**

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে আলোচনী এখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে । ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ আচঁহ গাঁথনি মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশবো প্ৰতিফলন ঘটাই মহাবিদ্যালয়ৰ মানদণ্ড, ছাত্ৰ-ছাত্ৰীৰ কবিতা, প্ৰবন্ধ, নিবন্ধৰ লিখাৰ মানদণ্ডকো প্ৰকাশ পায় । এনে এখন গুৰুত্বপূৰ্ণ আলোচনী ছাত্ৰ-ছাত্ৰীয়ে মোক অৰ্পন কৰাই নিজকে ধন্য বুলি মানিছো আৰু অসমীয়া মাতৃৰ অকনমান সেৱা কৰাৰ সুযোগ পাইছোঁ ।

এনে দায়িত্ব গ্ৰহনেৰে নিজৰ শিক্ষা গ্ৰহণৰ দায়িত্বৰ লগতে তত্বাবধায়কৰ দায়িত্বত থকা মোৰ পুজনীয় শিক্ষক সুনিল চন্দ্ৰ ৰায়, শিক্ষয়িত্ৰী মালা মজুমদাৰ, অধ্যক্ষ শ্ৰীযুত বজিৰুদ্দিন বেপাৰী তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্টা কামনা কৰি পৰৱৰ্তী ছাত্ৰ একতা গোটৰ ওপৰত আমাৰ সময়ত কৰিব নোৱাৰা সমস্যা সমূহ সমাধানৰ বাবে বিনম্ৰ আহবান জনাই যোৱা ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰণি মাৰিলোঁ ।

জয়তু প্ৰগতি মহাবিদ্যালয় ঃ

ৰাকেশ ৰায়

সাধাৰণ সম্পাদক

প্ৰগতি মহাবিদ্যালয় আগমনী

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰগতি তোমাৰ কোলাত হেজাৰ জনাৰ অমৃত অলেখ সপোনৰ দেখা নিয়ে তোমাৰ পাতত সততজনৰ মাজত নানা ফুল ফলে তুমি মাতৃ তুমি ধাতৃ তুমিএ আমাৰ হা তোমাৰ কোলাতে পালিত হওঁক আমালোকৰ অতি নিষ্ঠ সুপ্ত পতিভা । "প্ৰগতি" এটি জাতি পৰিচিত নাম । এটি অনুভূতি সিচৰিত নাম । প্ৰগতি মহাবিদ্যালয়ৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ হীয়াৰ আমঠু । এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অনুৰ বিগলীত ভাৱ অনুভূতি । প্ৰগতিৰ মাজত প্ৰকাশ পায় । অলেখ অমৃত সিচৰিত সপোন । 'প্ৰগতি' হ'ল সৃষ্টিৰ আধাৰ আৰু কৃষ্টিৰ সাঁদৰ । তোমাৰ উৰ্বৰা শক্তি বৃদ্ধি কৰা সৃষ্টিৰ ভূমিত আমি ৰোপন কৰো ভবিষ্যতৰ আকাশচুম্বী নতুন নতুন বীজ । "প্ৰগতি" ১৯৯১ চনত এই মহান প্ৰগতি মহাবিদ্যালয়ৰ জন্ম হয় । মহাবিদ্যালয়খন আগমনি অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান । জন্ম লগ্নৰ পৰাই নানা ধৰণৰ আহুকলৰ মাজেদি এই মহাবিদ্যালয়খন এটা চালুকিয়া অৱস্থালৈ উন্নতি হয় । যত অঞ্চলৰ প্ৰবক্তাসকল, অঞ্চলৰ সদায় ৰাইজ আৰু কাৰ্যকাৰী কমিটীৰ তেজ সোমাই আছে । এই নৱজাত শিশুৰ সাকাৰ ৰূপ দিয়াৰ সৰ্বত ভাৱে সহায় কৰে এজন শিক্ষানুৰাগী মহান ব্যক্তি সৰ্বশ্ৰী ভূতনাথ পালদেৱে । তেখেত (২৩) বিঘা মাটি দান কৰি এই সদ্যজাত শিশুক বাচি থকাৰ সমল যোগায় । তেখত এতিয়া আমাৰ মাজত নাই যদিও তেখেতৰ আত্মা যাতে চিৰশান্তি লাভ কৰে তাকে নতঃ শিৰে প্ৰনিপাত কৰো ঈশ্বৰৰ ওচৰত । 'প্ৰগতি' ২০১৯ লৈ মই আশাবাদী যে প্ৰগতিৰ প্ৰতিখন পৃষ্ঠাতেই সন্নিবিষ্ট হোৱা পলসুৱা লিখনীয়ে 'প্ৰগতি'ক সৎ আৰু সত্যতাৰ দিশ দেখুৱাব । ২০১৮-২০১৯ ইং বৰ্ষত প্ৰগতিৰ আলোচনী সম্পাদক হৈ মোৰ সম্পাদনা কাৰ্য্যত যথা সম্ভৱ সহায় সহযোগীতা আগবঢ়োৱা সকলো অধ্যাপক অধ্যাপিকাক মোৰ আন্তৰিক কৃতজ্ঞা জ্ঞাপন কৰিলো । আলোচনী প্ৰকাশৰ আগমুহূৰ্তত বিভিন্ন লিখনি সমূহ সুচাৰুৰূপে যোজা কৰি দিয়া ছুৰ-বাইণ্ডেউ আৰু সকলো সদস্য-সদস্যাকে কৃতজ্ঞা জ্ঞাপন কৰিলো । আমাৰ প্ৰগতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পাদক ৰাকেশ ৰায়, নৱজ্যোতি ৰায়ে মোক যথেষ্টখিনি সহায় সহযোগিতা কৰাৰ বাবে ধন্যবাদ । ২০১৮-২০১৯ ইং বৰ্ষত মই আলোচনী সম্পাদক হিচাপে প্ৰগতি মহাবিদ্যালয়ৰ সকলো অধ্যাপক অধ্যাপিকা আৰু সকলো ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী, আৰু ভাই ভণ্টিলৈ অনাগত দিনৰ বাবে শুভেচ্ছা যাচিছোঁ আৰু মোৰ কাৰ্য্যকালত মোৰ অজ্ঞাতে যদি মোৰ কিবা ভুল ত্ৰুটি হৈছে তেন্তে সকলোৰে ওচৰত মই আন্তৰিকতাৰে ক্ষমা মাগিছো আৰু এই বেলি প্ৰগতি বাৰ্ষিক আলোচনী উলিয়াওতে কিছু পলম হোৱাৰ বাবে মই দুঃখিত । শেষত প্ৰগতি মহাবিদ্যালয়ৰ উন্নতিৰ কামনাৰে ইয়াতেই অন্ত পেলালো ।

জয়তু প্ৰগতি মহাবিদ্যালয় :


ধন্যবাদেৰে

দিপুল চন্দ্ৰ ৰায়

# Students' Union




# Editorial Board



Dr. Basir Uddin Bepary,
Principal



Sunil Ch. Ray
Convenor



Mala Mazumdar
Member



Ganesh Ch. Saha
Member



Mostafizur Rahman
Member



Parameswar Roy
Member



Rakesh Roy (G.S.)
Member



Dipul Ch. Ray
Editor



Dipanjali Roy
Member

কবিতা

# প্ৰগতি মহাবিদ্যালয়

সাহাজালাল আলফানী
বি.এ. ২য় ষাণ্মাসিক

প্ৰগতি মহাবিদ্যালয়,
    আমাৰ জ্ঞানৰ আলয়।
জ্বলন্ত চাকিৰ দৰে আমাক দিয়ে পোহৰ
    ভৱিষ্যতৰ অন্ধকাৰ দূৰ কৰিবলৈ,
মাক দেউতাকৰ অলেখ সপোন
    কৰি দিয়ে পূৰণ।
এইখন প্ৰগতি মহাবিদ্যালয়
    চাৰিওফালে আছে জ্ঞানৰ পোহৰ,
উন্নতিৰ ফালে আগুৱাই দিছে
    আমাৰ এই সোণৰ দেশক।
ভাল বেয়া, উচিত-অনুচিত
    সকলোৰ পাৰ্থক্য দিয়েহি বুজাই,
দুৰ্নীতিৰ বিৰুদ্ধে যুজ দিবলৈ
    শিক্ষা দিয়ে শ্ৰদ্ধা, ভক্তি আৰু আদৰ্শ।
সময়ৰ লগত হাত মিলাই
    চলি থাকে প্ৰতিটো দিন,
এইখন আমাৰ মহাবিদ্যালয়
    প্ৰগতি মহাবিদ্যালয়।

******

# আগমনী প্ৰগতি মহাবিদ্যালয়

মমি ৰায়
বি.এ. ২য় ষাণ্মাসিক

শুৱনি আমাৰ মহাবিদ্যালয়খন
জ্ঞানৰ অনুষ্ঠান।
আজি একত্ৰিছ বছৰে মহানুভৱ
জাগিছে জনে জনে।
শত শত লোকে গঢ়িছে
সোণালী জীৱন।
চাৰিওপিনে গছ-গছনিৰে ভৰা
আগফালে গছ গছনি পিছফালে পথাৰ
মাজত মহাবিদ্যালয়খন
শিক্ষক শিক্ষয়িত্ৰী ছাত্ৰ ছাত্ৰীৰে
ভৰি পৰা মহাবিদ্যালয়খন।
দূৰৰ পৰা ৰৈ চাবলৈ
কিমান যে শুৱনি
এই মহাবিদ্যালয়তে সকলোৰে মিলি
জ্বলালো জ্ঞানৰ বন্তি
ছাৰ বাইদেউহঁতৰ মৰম স্নেহে
আমাক কৰে সন্তুষ্টি
নিজৰ ভৱিষ্যতে গঢ়িবলৈ আমি
ছাৰ বাইদেউৰ সহায় ললো
শেষত প্ৰণাম নিবেদিছোঁ
সকলো শিক্ষা গুৰুলৈ।

******

# পৰীক্ষা

সবিফা খাতুন
বি.এ. ২য় ষাণ্মাসিক

জীৱন এক পৰীক্ষা
তুমি পৰীক্ষাৰ্থী হোৱা।
জীৱন এক চিনেমা,
তুমি দৰ্শনাৰ্থী হোৱা।
জীৱন এক শিল,
তুমি চূৰ্ণ কৰা।
জীৱন এক ফুল,
তুমি সুগন্ধি হোৱা।
জীৱন এক প্ৰেম,
তুমি প্ৰেমিকা হোৱা।
জীৱন এক আশা,
তুমি পূৰ্ণ কৰা।
জীৱন এক সপোন,
তুমি সিঠক হোৱা।
জীৱন এক কঠিন,
তুমি সহজতে নিয়া।

******

# বিদ্যাই আচল ধন

আনি খা
বি.এ. ২য় ষাণ্মাসিক

বিদ্যা আচল ধন
সেইধন মনোযোগেৰে কৰা উপাৰ্জন
চোৰে কৰিব নোৱাৰে হৰণ
জুইত পুৰিব নোৱাৰে এই ধন
ধন মানুহে আৰ্জিব পাৰে,
নানা উপায়েৰে
কিন্তু অসৎ উপায়েৰে
বিদ্যা কোনেও আৰ্জিব নোৱাৰে।

******



# মৰমৰ আই

মমি ৰায়
বি.এ. ২য় ষাণ্মাসিক

ভাল পালো তোমাক
তেতিয়াৰ পৰা
যেতিয়াৰ পৰা তুমি
পৃথিৱী দেখাইছিলা
তুমি মোৰ মৰমৰ
তুমি মোৰ আদৰৰ
তুমি পূজনীয়া আই
তোমাৰ মৰমক
পাহৰিব নোৱাৰো
যেতিয়া লৈ আহো জীয়াই
আহিছিলা তুমি তৎক্ষণাৎ
দুখ যেতিয়া পাইছিলো গাত
চকুৰে ওলাইছিল দুধাৰি মোৰ
মৰমেৰে শুচাইছিলা তাক
মা তুমি কিয় আতৰি গলা আজি
আমাক সকলোকে কন্দুৱাই।

******



# মোৰ আশা

কঁকিনা মণ্ডল
বি.এ. ২য় ষাণ্মাসিক

কেতিয়াবা আশা কৰোঁ শিক্ষয়িত্ৰী হ'বলৈ
ছাত্ৰ-ছাত্ৰীসকলক মৰমেৰে পাঠদান কৰিবলৈ
কেতিয়াবা আশা কৰোঁ প্ৰধানমন্ত্ৰী হ'বলৈ।
দেশখনক উন্নতিৰ পথত আগুৱাই নিবলৈ।
কেতিয়াবা আশা কৰোঁ ডক্টৰ হ'বলৈ
ৰোগীসকলক জীৱন দান কৰিবলৈ।
কেতিয়াবা আশা কৰোঁ গছ হ'বলৈ
সকলোকে ফুল ফল দিবলৈ।
কেতিয়াবা আশা কৰোঁ জোন হ'বলৈ
গোটেই জগতখনক পোহৰ বিলাবলৈ।
কেতিয়াবা আশা কৰোঁ ফুল হ'বলৈ
ঈশ্বৰৰ চৰণত যাবলৈ।
কেতিয়াবা আশা কৰোঁ বৰষুণ হ'বলৈ
গোটেই পৃথিৱীখনকে পৰিষ্কাৰ কৰি তুলিবলৈ
কেতিয়াবা আশা কৰোঁ পৃথিৱী হ'বলৈ
সকলো জীৱকে আশ্ৰয় দিবলৈ।
কেতিয়াবা আশা কৰো পানী হ'বলৈ
সকলো জীৱ জন্তুৰ তৃষ্ণা দূৰ কৰিবলৈ।

******

# মন যায়

বিপুল মালাকাৰ
বি.এ. ৪ৰ্থ ষাণ্মাসিক

ছাত্ৰ হবলৈ মন যায়
আনাব্কলৰ নিচিনা
ব্যৱহাৰ কৰিবলৈ মন যায়
সেৰাতুলৰ নিচিনা
সাহস কৰিবলৈ মন যায়
জেউতিৰ নিচিনা
হাঁহিবলৈ মন যায়
দিপশিখাৰ নিচিনা
খেলিবলৈ মন যায়
তপুৰ নিচিনা
লেখিবলৈ মন যায়
মোনালিছাৰ নিচিনা
বন্ধু পাবলৈ মন যায়
ধনোৰ নিচিনা
দুঃখ বুজিবলৈ মন যায়
হাবিবাৰ নিচিনা
প্ৰতিযোগিতা কৰিবলৈ মন যায়,
বিপুল বিশ্বাসৰ নিচিনা।


******

# কঠিন সময়

সৰিফা খাতুন
বি.এ. ২য় ষাণ্মাসিক

কঠিনতাই যদি তোমাৰ জীৱন হয়,
জীৱনক কিয় তুমি কৰিতা ভয়।
আদৰ্শ ল'বা সদায় কঠিন বাস্তৱ,
পৰিশ্ৰম নকৰিলে নহ'ব বিজয়।
মানুহ হ'বা যদি কিয় কৰা ভয়,
এনাহ কৰি তোমাৰ হ'ব পৰাজয়।
চন্দ্ৰ, সূৰ্য্য, পৃথিৱী সকলো কৰ্মময়,
নিজে কৰ্ম কৰা নিজে সময় নকয়।

******



## মহত্বৰ চিন

দীপিকা ৰায়
বি.এ. ২য় ষাণ্মাসিক

লিখিলে পঢ়িলে নহয় অকল
শিকিব লাগে শিষ্টাচাৰ
শিক্ষাৰ মূল্য নাই
যদি নাজানা আচাৰ ব্যৱহাৰ
সকলক কৰিব লাগে মৰম
ডাঙৰক ভক্তি
ঈশ্বৰক যদি কৰা প্ৰাৰ্থনা
তেহে পাবা শক্তি
ধনী দুখীয়া হিন্দু মুছলমান
কাকো নকৰিবা ভিন
মৰমেৰেই জিনিবা জগত
তাতেই মহত্বৰ চিন।

******

## এটি সূৰ্য লাগে মোক

দিপাঞ্জলী ৰায়
বি.এ. ২য় ষাণ্মাসিক

এটি সূৰ্য লাগে মোক
ৰক্ত ৰঙা
ভয়ঙ্কৰ।
যাৰ লেলিহান শিখাত পুৰি ছাই হ'ব
সকলোৰে চেতনাৰ বিষ আৰু
তেজত থিতাপি লোৱা সন্দেহৰ।
এটি আকাশ লাগে মোক বহল।
বিশাল।
যাৰ বুকুত লুকুৱাৰ পাৰিম
প্ৰতিটোপাল অশ্ৰুজল।

******




# মোৰ মন যায়

আছমীনা খাতুন
বি.এ. ২য় ষাম্মাসিক

মোৰ মন যায় মন্ত্ৰী হ'বলৈ
এই দেশখনক উন্নতিৰ পথত আগুৱাই নিবলৈ।
মোৰ মন যায় ডাক্তৰ হ'বলৈ
সকলো মানুহক জীৱন দান কৰিবলৈ।
মোৰ মন যায় শিক্ষয়িত্ৰী হ'বলৈ
সকলো ছাত্ৰ-ছাত্ৰীক মৰমেৰে জ্ঞান দিবলৈ।
মোৰ মন যায় পোহৰ হ'বলৈ
এইখন পৃথিৱীৰ প্ৰাণীৰ পিয়াহ গুচাবলৈ।
মোৰ মন যায় মৌমাখি হ'বলৈ
এইখন পৃথিৱীৰ মধু বিলাবলৈ।
মোৰ মন যায় বৰষুণ হ'বলৈ
পৃথিৱীখনকে পৰিষ্কাৰ কৰি ৰাখিবলৈ।

******




# বিদ্যা অৰ্জন

আছমীনা খাতুন
বি.এ. ২য় ষাম্মাসিক

ছাত্ৰ-ছাত্ৰী জীৱনত পঢ়া-শুনা নকৰিলে
একোৱেই নাই।
ছাত্ৰ-ছাত্ৰী জীৱনত পঢ়া-শুনা নকৰিলে
এইখন দেশত উন্নতি নাই।
মানুহ জীয়াই থাকিবলৈ হ'লে যেন
এইখন দেশত টকাৰ প্ৰয়োজন।
তেনে ছাত্ৰ-ছাত্ৰী জীয়াই থাকিবলৈ হ'লে
বিদ্যাৰ প্ৰয়োজন।
ছাত্ৰ-ছাত্ৰী হ'লে ন'হব
বিদ্যা অৰ্জন কৰিব লাগিব।
কিতাপত থকা বিদ্যাই
ছাত্ৰ-ছাত্ৰী জীৱনত প্ৰয়োজনত আহিব।
বিদ্যাৰ সমান ধন ছাত্ৰী জীৱনত আৰু একো নাই
ছাত্ৰ-ছাত্ৰী ৰাখিবা মনত।
সেইমতে পঢ়া-শুনা
ছাত্ৰ-ছাত্ৰী কৰিবা কলেজখনত।।

******



# আশা

তাছফিয়া আহমেদ
বি.এ. ৪ৰ্থ ষাণ্মাসিক

তুমি যে সঁচা
সকলে নেভাবে কিয় তোমাক,
তুমি যে সঁচা চেষ্টা কৰা
সকলে হব নিবিয়ে কিয় তোমাক
তুমি হৃদয়ৰ আনমোল
সকলো হৃদয়ৰ উদ্দেশ্যৰে তুমিয়ে মূল,
তুমি হৃদয়ত উদয় হোৱা
আকাশৰ তৰাৰ নিচিনা।
তুমি বহুল ধাৰণা
যেন নৈত বৈ যোৱা জলধাৰাৰ নিচিনা,
তুমি ঈমান তাত্তৰ
গোটেই বিশ্ব যেন তোমাৰ হাতত
তুমি বহু ৰঙীন।
তোমাতকৈ নাই আৰু ৰঙীন
তুমি নোহোৱা অতীত, বৰ্তমান
ভৱিষ্যতহে তুমি
তুমিয়ে সকলোৰে ভাল।

******



# মৰমৰ হাবিবা

তাছফিয়া আহমেদ
বি.এ. ২য় ষাণ্মাসিক

মৰমৰ হাবিবা তুমি
নাজানো ক'ত আছা,
এইটোও নাজানো মই
তুমি কেনে আছা।
বহুদিন হৈ গ'ল মই
তোমাক দেখা নাই,
এতিয়াও মই তোমাৰ বাবে
আছো যে বাট চাই।
ভুল বুজি যদি তুমি
পাহৰি যোৱা মোক
পাহৰিবা নোৱাৰিবা
স্মৃতিবোৰক।
ভুল যদি কৰিছো মই
ক্ষমা কৰি দিবা,
ভুল ভাঙি গ'লে তুমি মোক
আপোন কৰি লবা।

******



# মই ভাৰতীয়

জেউতি ৰায়
বি.এ. ৪ৰ্থ ষাম্মাসিক

. অসমৰ পৰা কৈছোঁ
নৱদী আই
পৃথিৱীৰ স্বৰ্গীয় ঠাই
কাশ্মীৰ ভাৰতৰ
অংগৰাজ্য আই।
পাক সৈনিকক নিদিবা
ভাৰতৰ বুকুত ঠাই।
কাৰ্গিলৰ পৰা কৈছো
আশীৰ্বাদ কৰিবা আই
শত্ৰু বাহিনীক খেদিবলৈ
অকণো ভয় নাই।
টাইগাৰ হিলছৰ পৰা কৈছোঁ,
চেনেহৰ আই
নিশ্চয় জয়ী হম
একো চিন্তা নাই।
ৰণথলীৰ পৰা কৈছোঁ
নেকান্দিবা আই
মাতৃভূমিক কিয় দিম,
শত্ৰু বাহুক ঠাই
গোলা-বাৰুদৰ পৰা কৈছোঁ
পূজনীয় আই
যুদ্ধত জিকি পুনৰ পাম
নিজৰ ওপজা ঠাই।

******

# মানৱ অহংকাৰ

টুইন ৰায়
বি.এ. ৪ৰ্থ ষাম্মাসিক

বিদ্যা আছে বুলি
অহংকাৰ নকৰিবা
নিজে বিদ্যাহীন হবা।
জ্ঞান আছে বুলি
অহংকাৰ নকৰিবা
নিজেই জ্ঞানহীন হবা।
ৰূপ আছে বুলি
অহংকাৰ নকৰিবা
নিজেই কুৎসিত হবা।
ধন আছে বুলি
অহংকাৰ নকৰিবা
নিজেই দুখীয়া হবা।
মান আছে বুলি
অহংকাৰ নকৰিবা
নিজেই অপমানিত হবা।

******



# মৰমৰ ভাই

জেউতি ৰায়
বি.এ. ৪ৰ্থ ষাণ্মাসিক

অই মোৰ মৰমৰ ভাই
কল পৰা আহিলি,
কিয় মোক বাই বুলি
চিঞৰ-বাখৰ কৰিলি।
অভাগিনী বাই মই
কিনো দিম ভাই,
অলপ সময়ৰ কাৰণে মোৰ
কথা মন দি শুনা ভাই।
দুখীয়া ঘৰৰ লৰা-ছোৱালী আমি
বিদ্যাই আমাৰ ধন,
শ্ৰেণীকোঠাত বহি তুমি
শিক্ষকৰ কথাত দিয়া মন।
শিক্ষকসৈ নালিবা
কেতিয়াও বেয়া ভাবৰ মন,
সিহঁতে আমাক দিয়ে
জীৱন বাটৰ চকুপান।
শ্ৰদ্ধা কৰা, সন্মান দিবা
সিহঁতক সকলো সময়ত,
এইবোৰ ভাই তুমি মানি চলিবা
তেতিয়াহে বিদ্যা লাভ কৰিবা জীৱনত।
চাকৰি কৰি তুমি ভাই
নুবুলিবা পিতা মাতাক,
প্ৰনাম কৰিবা ভালপোৱা দিবা
কৰিবা যত্ন সদায় সিহঁতক।
এই সংসাৰ দুটা কৰি
যি লৰা এমুঠি খায়
সেই মুঠিনো ভাই
বিষ্ঠাৰ তুলনা হয়।
এনে কাম কৰাৰ পিছতো সন্তানৰ
পিতা-মাতা মংগল চায়,
এইবোৰ কাম কৰি ভাই
জীৱন নহয় সুখময়।

******



# প্ৰতিজ্ঞা

পৰিতোশ ৰায়
বি.এ. ৪ৰ্থ ষাণ্মাসিক

দিনে দিনে মোৰ পৰীক্ষা ওচৰ চাপিল,
এটাও প্ৰশ্নোত্তৰ মুখস্থ নহল।
প্ৰথম দিনে আছিল ইংৰাজী পৰীক্ষা
হাতত কলম পকেটত নকল লৈ
পৰীক্ষাৰ হলত সোমালো মই
অতি যতনে সাৱধান হৈ
প্ৰশ্ন চাই দেখিলোঁ যে
সকলো উত্তৰ পকেটত আছে।
ইফালে সিফালে চাই লিখিব ধৰিলোঁ
মহা ভয়ে পৰীক্ষাৰ হলত।
এনেকৈ লিখোতে লিখোতে
নকল পৰিল ধৰা
নকল ধৰি চাৰে
দিলে ধমকি কড়া।
ইয়াতেই পিছে ক্ষান্ত নাথাকি দহ নম্বৰ দিলে কাটি
সেই দিনাৰ পৰা প্ৰতিজ্ঞা কৰিলো
নকল নকৰিম বুলি।

******

# দানৱ

ৰোস্নাৰা খাতু
বি.এ. ২য় ষাণ্মাসিক


জোনৰ পোহৰ চিমিক চামাক
এন্ধাৰ আৱৰি ৰল
ধন পুৰাতে চিএল বাখৰ
আজৱ ঘটনা হ'ল
গুকুম গুকুম শব্দৰ বাহিৰে
একোৱে দেখা নগল
নিদ্ৰা দেৱীৰ কোলাৰ পৰা
জীৱন কাঢ়ি লল
জীৱন বাটৰ সপোন বিলাক
আধা বাটতে ৰল
মাইলত থকা খুটা বিলাক
হঠাৎ অদৃশ্য হ'ল
সতী নাৰীৰ পতি হেৰাল
বয়তে বিধৱা হ'ল
সত্য যুগৰ আজিৰ মানৱ
পৰিচয় কিনো ৰ'ল
বুজিছে বিজন জ্বলিছে হৃদয়
সততা কলৈ গ'ল
উলঙ্গ দেশৰ নাৰী মানুহ
দানৱ কিয় হ'ল।

******

# ঐতিহাসিক ধুবুৰী চহৰ

ৰোসনাৰা খাতুন
বি.এ. ২য় ষাণ্মাসিক

নেতাই ধুবুনী পাচপীৰ প্ৰসিদ্ধ
আদিম নামত প্ৰসিদ্ধ
অবিভক্ত গোৱালপাৰা জিলা
সদৰ ধুবুৰী বিখ্যাত
জাহাজ ঘাট জুইশালা উদ্যোগ বন্ধ
আধুনিক যান্ত্ৰিক যুগত
বিমান ঘাটি, আশোক কাগজৰ কল
মৃত্যুমুখী পৰ্যায়ত
বুৰঞ্জী প্ৰসিদ্ধ ধুবুৰী চহৰ
দেশ বিদেশৰ পৰ্যটক আগমন
শিখ ধৰ্মালম্বী তীৰ্থযাত্ৰী সকল
পবিত্ৰ গুৰুদুৱাৰ এখন
ষোল্লশ শতিকাৰ পানবাৰী মছজিদ
বুৰঞ্জী প্ৰসিদ্ধ নাম
বগৰীবাৰীত মহামায়া মন্দিৰ
সত্ৰশালত গুৰুশংকৰৰ ধাম
লুইতৰ পাৰত অৱস্থিত
প্ৰাচীন ধুবুৰী চহৰ




গৌৰীপুৰ খেলপথাৰ দানপত্ৰ
ৰাজা প্ৰভাত চন্দ্ৰৰ
ধুবুৰী জিলাৰ দক্ষীণ প্ৰান্তত
মানকাচৰত মীৰজুমলাৰ কবৰ
নিচেই কাষত অৱস্থিত
মন্দিৰ কামাখ্যা নামৰ
কণ্ঠ শিল্পী প্ৰতিমা বৰুৱা পাণ্ডে
গৌৰীপুৰত জন্ম গ্ৰহণ
গোৱালপাৰীয়া লোক গীতৰ
বিশ্বত সুনাম অৰ্জন।


******

# ভাল পাওঁ

প্ৰিতি ৰায়
বি.এ. ২য় ষাণ্মাসিক

সাগৰ নহওঁ মই বহল বুকুৰ দৰে
দেৱদাস নহওঁ জীৱন দি ভাল পাবলৈ
সবাই নহওঁ মই তোমাৰ জীৱনত ভুমুকী দিবলৈ
তথাপি ভাল পাওঁ তোমাক.................
আকাশৰ দৰে সীমাহীন......................
সাগৰৰ দৰে গভীৰ..............................
থাকিবা তুমি সদায়েই মোৰ মনত এগাটি বস্তি হৈ
জীয়াই থাকিম মই তোমাৰ স্মৃতি বুকুতলৈ.........
উভতি চোৱা কাষতে থাকিম সদায়েই হৈ
নাযাবা আঁচিন আকাশত মেঘৰ দৰে বিলিন হৈ
মোক একাষৰীয়া কৰি অকলে থৈ
সহিব নোৱাৰিম ছাগে তোমাৰ বেদনা
মৰমেৰে মাথো এবাৰ আঁকোৱালী লোৱা না
অচিনাকি পৃথিৱীত খোজ দিবলৈ হৈ আছো
এবাৰ ওভতি চোৱা না.................।

******



# শিক্ষা আৰু ছাত্ৰ

শিৰাফুল হ...
বি.এ. ৪ৰ্থ ষাণ্মাসিক

শিক্ষাৰ ফল নহব কেতিয়াও উন্নতি
ছাত্ৰৰ মাজত নাথাকে যদি সত্য নীতি
ছাত্ৰ হ'ল শিক্ষা অনুষ্ঠানৰ বস্তু
ছাত্ৰই লব লাগে শিক্ষা অনুষ্ঠানৰ যত্ন।
যি ছাত্ৰই দিব শিক্ষকক সন্মান
সেই ছাত্ৰই পাব শিক্ষকৰ পৰা জ্ঞান
বিদ্যা শিকোঁতে যিয়ে কৰিব বেছি কষ্ট
ঈশ্বৰে তাক সকলো কৰিব সন্তুষ্ট
ছাত্ৰ আৰু শিক্ষকৰ মাজত নাথাকে
যদি মিলা-প্ৰীতি তেতিয়া হলে শিক্ষাৰ
ক্ষেত্ৰত আহে অৱনতি।।

******



# জীৱন সংসাৰ হাট

মনোয়াৰা খাতুন
বি.এ. ৪ৰ্থ ষান্মাসিক

জীৱন সংসাৰ হাবিত আহিছে মানুহ
দুদিনৰ বজাৰ কৰিবৰ,
আয়ু বেলি মাৰ গলে
যাওঁ নিজাপি ঘৰ।
যিমানে থাকক অট্টালিকা, সা-সম্পদ
একোকে লব নোৱাৰি
উলঙ্গ বেশত যাত্ৰা কৰিম
শূন্য হাত ধৰি।
সিপুৰীত গৈ কান্দিবি হায়
ত্ৰাহি ত্ৰাহি কৰি
কিয় বাৰু কৰিছো মহাপাপ
জীৱন সংসাৰ হাটত আহি।
বসিয়া নহম হত্যা যজ্ঞত
শপত কাঢ়িলো এবেলি
পুনৰ জন্ম দিয়ক প্ৰভু
সতাত হম বলি
যিমানে নলবা বাকতি মিনতি
নহব পুনৰ জন্ম।
সময় থাকোঁতে কৰক অৰ্জন
মানব সেৱাই ধৰম।

******

# মই ভাবো

মজিলা বেগম
বি.এ. ২য় ষান্মাসিক

মই ভাবো
আকাশত তৰাৰ দৰে জিলিকি থাকিবলৈ
মই ভাবো
গছত ফুলৰ দৰে ফুলি থাকিবলৈ
মই ভাবো
পৰ্বত-পাহাৰত ঘূৰি ফুৰিবলৈ
মই ভাবো
পখিলাৰ দৰে আকাশত উৰি ফুৰিবলৈ
মই ভাবো
সদায় ভালদৰে অধ্যয়ন কৰিবলৈ
মই ভাবো
সকলো শ্ৰেণীতে প্ৰথম স্থানত উত্তীৰ্ণ হ'বলৈ।

******



# বেদনা

*ঊৰ্মি ৰায়*
বি. এ. ৪ৰ্থ বাংলা ষাণ্মাসিক

জীৱনৰ প্ৰতিকূলে এই মোৰ জীৱন
জীৱন মানে হাঁহি-কান্দোন
থাকে মোৰ ওবেঁটা জীৱন
আশা ভৰা মোৰ এই মানৱ জীৱন।
জীৱনৰ বলিয়া সোঁতৰ মোৰ অন্তৰখন
কিয় যে নাইকিয়া হৈ যায়,
হাঁহি ভৰা এই দুনীয়াখনৰ
মানৱতাৰ অহংকাৰ।
সবাঁৰ বান্ধোন ছিঙি যায়
জীৱন মানে হাঁহি-কান্দোন,
আহিবনে ঘূৰাই আকৌ এই জীৱন
সাথী হেৰা মোৰ এই মানৱ জীৱন।
সংসাৰত দুখঃ কষ্টৰ মাজতো
থাকে যে কিমান আশা-আকাংক্ষা,
তথাপিও ঘূৰাই নাহে আকৌ এই মানৱ জীৱন
বৈ যায় মোৰ এই বেদনা।

******

# জীৱন সংগ্ৰাম

*লতা ৰায়*
বি.এ. ২য় ষাণ্মাসিক

জীৱন এটা সংগ্ৰাম
জন্মৰ পৰা মৃত্যুলৈকে
অবিৰাম গতিত চলি আছে
এই যুদ্ধ।
এই সংগ্ৰামত কোনোবাই জিকিছে
কোনোবাই হাৰিছে আৰু
কোনোবাই ভাগৰি পৰিছে।
কোনোবাই ভুলৰ আশ্ৰয় লৈ
জীয়াই আছে,
কৰবাত কোনোবাই কান্দি দিন কটাইছে
আৰু কৰবাত কোনোবাই হাঁহি উল্লাসেৰে
দিন পাৰ কৰিছে।
এই যুদ্ধ কেতিয়া সমাপ্ত হ'ব
তাৰ সময় নাই,
কেতিয়া, কত, কেনেকৈ
সেয়া কোনেও নাজানে।
সেই তেজৰে ঢকা শৰীৰখন
কোমলিনা মাটিৰ লগত
মিহলি হৈ যাব
তাক কোনেও কব নোৱাৰে।
অকল মায়াৰ এনাজৰী লৈ
জীয়াই আছে এই জীৱ-প্ৰাণী
এনেকৈয়ে চলি আছে এই জীৱন
আৰু চলি থাকিব আজীৱন।

******

## প্ৰেয়সী

সঞ্জিত ৰায়
তৃতীয় ষাণ্মাসিক

মোৰ প্ৰিয়সী দুনীয়া,
আকাশৰ তাৰৰ দৰে ।।
জিলিকি আছে মৰত ধামত,
কোনোবাই দেখিছানে ।।
দেখা নাই যদি মোৰ প্ৰিয়সীক,
মনত নাই দুঃখ ।।
প্ৰিয়সীক মনত পৰিলে মোৰ,
বুকু কৰে থৰ থৰ ।।
প্ৰিয়সী আছিল মোৰ,
অতিকৈ মৰমৰ ।।
তোমাৰ কথা ভাবি ভাবি মই,
হৈছো আজি পগলা ।।
তুমি প্ৰিয়সী নুবুজিলা,
মোৰ হৃয়াত আকুল ব্যথা ।।
তোমাৰ কাৰনে ৰাখিছো মই,
ব্যথা ভৰা হীয়া খন সাঁচি ।।
হবানে তুমি মোৰ প্ৰানৰ প্ৰিয়সী,

******

## মাতৃ

টুম্পা ৰায়
প্ৰথম ষাণ্মাসিক

যিদিনা জন্ম ললো মই
পৰিল চকুত পৃথিবী খন
জিৰনী ললো মাঁ তোমাৰ বুকুত
সাৱটি ধৰি চুমা দিছিলা
মোৰ দুগালত-
তোমাৰ মৰমবোৰ ইমান মিঠা
নোপাহৰিম কেতিয়াবা পাহৰিম
আজিও মোৰ মনত পৰে
আগৰ কথাবোৰ
সৰু হব পাৰিমনে
আগৰ দৰে ।

******



# ভাল পাওঁ

ৰাকেশ ৰায়
পঞ্চম যাণ্মাসিক

ভালপাওঁ ৰাতিপুৱাৰ
বেঙুনীয়া ৰশ্মি,
ভালপাওঁ মানুহৰ
সভ্য আচৰণ।
ভালপাওঁ ভগৱান
শ্ৰীকৃষ্ণক
ভালপাওঁ টোপনিৰ
ধুনীয়া সপোন।
ভালপাওঁ কেচুৱাৰ
ওঠৰ হাঁহি
ভালপাওঁ মা-দেউতাৰ
সেই মৰম।
ভালপাওঁ মইনাৰ
মাত শুনি,
ভালপাওঁ উৎপলৰ
সেই মুখখনি।

******
****
***

# মোৰ মন যায়

বি. এ. ৪ৰ্থ বাংলা যাণ্মাসি

মোৰ মন যায়, জোন, বেলি, তৰা হ'বলৈ,
আকাশত থাকি পৃথিৱীত পোহৰ বিলাবলৈ।
মোৰ মন যায়, এগৰাকী ভাল ডাক্তৰণী হ'বলৈ,
ডাক্তৰণী হৈ ৰোগীক চিকিৎসা কৰিবলৈ।
মোৰ মন যায়, এগৰাকী শিক্ষয়িত্ৰী হ'বলৈ,
শিক্ষাৰ পোহৰ আনকো বিলাবলৈ।
মোৰ মন যায়, গায়িকা হ'বলৈ,
গানৰ সুৰেৰে গোটেই জগতখন উজ্জ্বলাবলৈ।
মোৰ মন যায়, সৎ মানুহ হ'বলৈ,
দেশৰ মানুহক ভাল শিক্ষা দিবলৈ।
মোৰ মন যায়, পখিলা হ'বলৈ,
উৰি ফুৰি, নাচি-বাগি ফুলৰ মৌ চুহিবলৈ।

******



# সপোন

*প্ৰিয়াংকা ৰায়*
প্ৰথম যাণ্মাসিক

চকুত আছিল এখনি নিলিম আকাশ
বুকুত আছিল এটা ৰঙিন সপোন
সপোন নামি আহিছিল বৰ্ষা
ৰিম ঝিম ৰিম ঝিম ।
বৰ্ষাৰ নাচোনত হিয়া মন কপি উঠিছিল
অজানিতে তোমাক বুকুৰ আপোন
কৰি লৈছিলো ।
তুমি মোক কেতিয়াও পাহৰি নাযাবা
মোৰ বুকুখন উকা কৰি থৈ ।
মোৰ কনমনি কলিজায়ে
আজি সজিৱ হৈ উঠিছে তোমাৰ
উত্তাল হৃদয়ৰ উমাল পাই
আৰু উজ্জিবিত হৈ উঠিছে
হৃদয়ত বহুতো ৰঙিন সপোন ।।

******

# পখিলা

*সুৰজ কবী দাস*
তৃতীয় যাণ্মাসিক

পখিলাবোৰ নানা ৰঙীন
ৰাম ধেনুৰ দৰে,
তাকে দেখি মইলাইতে
পখিলাক ধৰিব বিচাৰে।
পখিলাবোৰ ইমান ধুনীয়া যে
ক'ব নোৱাৰো তাক,
ল'ৰাহতে বিচাৰি আছে পখিলাক,
এতে আছেনে তাত।
পখিলাবিলাক দেখি থাকিলে,
দেখি থাকোতেই যায় মন,
তোমাকো যদি ভাল লাগে
পখিলাক দিব নতুন জীৱন।।

******



# গোলাপ

আইনুল হক
তৃতীয় ষাণ্মাসিক

কোমলীয়া কলৰ তাপত,
জিলিকি আছে যেন ।
মুকুতা মনিৰ দৈন,
এবাৰ চাই হিয়াই ।।
বিচাৰে চাবলৈ দুনাই,
পুৰ্ণিমাৰ জোনটি যেন ।
স্বৰ্গত গৈছে টুপনি,
নিজুক প্ৰেমৰ নিচুক ।।
কাহিনী হিয়াতে আছে সাটি ,
সকলোৱে যে ওলাই ।
আছে গাই গাই নাচি,
ভলাহতে নাচি দেখি ।।
ধৰাই উঠে আনন্দত ভাহি,
আনন্দৰ সীমা নাই ।
প্ৰানী সব ত্ৰয়া ত্ৰিভূবনৰ,
বিশ্ব ব্ৰহ্মাণ্ড যেন ।।
মুক্তি লভিছে দেখি,
এই আনন্দৰ মেলা ।
সুখ সাগৰত পৰি,
পাহৰিছে সবে বিৰাহ বেদনা ।।
চাইয়োঁ সব বিৰহ পাহৰি,
সুখ সাগৰত ভাহি ।
ওয়া কি নিষ্টু জগতৰ,
মানুহ ছিঙিলে ফুলকলি ।।

******

# মা

জ্যোতি ৰা...
পঞ্চম ষাণ্মাসিক

নাজানো তোমাৰ মমতাৰ ছায়াত,
কেতিয়া আঠু কাঢ়ি
ভৰিৰে খোজ কাঢ়া হলো মা ।
মনত পৰে তুমি কোৱা ।।
সেই নিচুকনী গীতবোৰ মা,
আজিও শুনো কিন্তু সেয়া নহয় যে তুমি,
দিয়া নাই মা তুমি মোক ।
দেউতা নথকাৰ দুখ বুজিবলৈ ।।
আজিও তোমাৰ লগত মেলিবলৈ মন যায় ও মা,
আহানা মা দুয়ো হালধীয়া সৰিয়হ জবাৰ,
পখিলা ধৰো গৈ ।
বহু দিন তোমাৰ মুখ খনলৈ চোৱা নাই ও মা,
আহানা এবাৰ মোৰ কাষলৈ মা চোৱা মা ।
তুমি চোৱা দৰে আজি মই ।।



ৰাজবংশী কবিতা

# কান্দোন

গীতা ৰায়
বি.এ. ২য় ষাণ্মাসিক

মনটা আজি কেমোন
আচাং চাং।
কোনো কথাই বুজিয়া
নাপাং।।
কিসেৰ জোন্যে এই
উদাস মন।
ধৰফৰ কৰিয়া উঠে
বুক খান।
বেলাটাও উঠিল সকালে
আন্দাৰ মুখা,
আকুল হিয়া এইটা
কিসেৰ হাওৰা।।
বাচিয়া থাকিবে কি
জাতিৰ নাম।
হাৰেবাৰ ধইৰছে
আত্ম সম্মান।।
পোৱাৰ সাথে নাই
পইয়েৰ বান
বাতাসোত উৰাইল
চাল খান।।
মেঘলা কইৰছে আকাশ বাতাস
গুল গুল পৰে কৰি,
ভেটি মাটি ধুইয়া যায়
মুই কান্দোং পইয়োত ধৰি।

******

# তোৰ জইন্যে ৰয়া আছোং

উৰ্মি ৰায়
বি. এ. ৪ৰ্থ বাংলা ষাণ্মাসিক

তোৰ জইন্যে মুই ৰয়া আছোং
আছোং ৰয়া একলায় তোৰে জইন্যে........
তোৰ মুখেৰ হাসিগুলা আৰ দুখঃ আঁতৰা
বাওগুলা শুনিবেৰ জইন্যে............
তোৰ জইন্যে ৰয়া আছোং
মোৰ দুখেৰ জীৱনটাক অল্পখানেক
সুখ আৰ শান্তি দিবেৰ জইন্যে........
ৰয়া আছোং মুই তোৰে জইন্যে..........
তোৰ প্ৰতি থাকা মোৰ প্ৰেম ভালোবাসা
আৰ সুখ-দুখেৰ,
কথাগুলা খুলি কবাৰ জইন্যে.........
সদায় ৰয়া থাকিম মুই তোৰে জইন্যে..........
মোৰ জীৱনটা তোৰ সাথে চিৰসংগী
কৰি পাওঁবাৰ জইন্যে.........।

******




# আমার কোন জন্মভূমি নেই

ডঃ বনশ্রী ব্যানার্জী
বাংলা বিভাগ

মাটির ঘরের আঁতুড়ের জাল সরিয়ে
আমার মুখ দেখেছিলেন
পিতামহ আমার, তিনি এখন শতাব্দীর ওপারে
মায়ের স্তন থেকে বাবার বুকে
হামাগুড়ি খেয়ে
মাটির প্রলেপ এঁকে গায়
কোন এক অখ্যাত গাঁয় জন্ম আমার
অবিভক্ত বাংলায়;
তবু আমার কোন জন্মভূমি নেই
নেই সে ভূমির, পরে কোন অধিকার
'অনাগরিক' আমি দেশদ্রোহী !
বিদেশী এবং চিরশত্রুতার
জননীর পরিচয় হীন 'কর্ণ' আমি
কুন্তী নয় জননী আমার
আমি জননী হীন এক মানব সন্তান।
এমনি এক দুর্ভাগ্যের শিকার আমি
আজ এ বাংলায় ও বাংলায়
এবং ভারতের আঁধার পথের পাশে
বার বার জন্ম হয় আমার
আমি স্বদেশহীন, মাতৃহীন, ভূমিহীন—
'অবৈধ অনুপ্রবেশকারী, ঘুসপেটিয়া'
এদেশের বালুকনায়ও নেই
আমার কোন অধিকার।
আমার জননী দেহ খণ্ড খণ্ড করে
ভণ্ড সন্ন্যাসীর দল করে যজ্ঞ আয়োজন—
যে শব-সাধনার অনন্ত আঁধার আজ
সর্বাঙ্গে আবৃত আমার
নেই কোন ভূখণ্ড আমার, নেই জন্মস্থান;
আর নেই কোন স্বদেশের পরিচয়।
দেশভাগের বলি আমি
মৃত জননীর সন্তান আমি
অনাদৃত জীবন আমার
জন্মভূমিহীন আমি
আমি এক অভিশপ্ত প্রজাতির
পরিচয়হীন কবন্ধ সন্তান।

******



সংগ্ৰহ

# কাক কি বুলি জানো

উৰ্মী ৰায়
বি. এ. ৪ৰ্থ যাণ্মাসিক

সাহিত্যৰথী ৰসৰাজ :- লক্ষ্মীনাথ বেজবৰুৱা।

কলাগুৰু :- বিষ্ণুপ্ৰসাদ ৰাভা।

ৰূপকোঁৱৰ :- জ্যোতি প্ৰসাদ আগৰৱালা।

অসম কেশৰী :- অম্বিকাগিৰি ৰায় চৌধুৰী।

অতীন্দ্ৰিয়বাদী কবি :- নলিনী বালা দেৱী।

অগ্নিকবি :- কমলাকান্ত ভট্টাচাৰ্য্য।

পাহৰণি কবি :- যতীন্দ্ৰ নাথ দুৱৰা।

বনফুলৰ কবি :- যতীন্দ্ৰ নাথ দুৱৰা।

বনকোঁৱৰ :- আনন্দৰাম দাস।

ৰাষ্ট্ৰীকৰ :- নীলমনি ফুকন।

হাঁহিবালা :- কনকলতা।

বিহগী কবি :- ৰঘুনাথ চৌধাৰী।

অভিনয়াচাৰ্য :- ব্ৰজনাথ শৰ্মা।

উপন্যাস সম্ৰাট :- ৰজনীকান্ত বৰদলৈ।

সংগীতাচাৰ্য্য :- লক্ষ্মীৰাম বৰুৱা।

কবিতা কোঁৱৰ :- অম্বেশ্বৰ চেতিয়া ফুকন।

গীতি কবি :- পাৰ্বতি প্ৰসাদ বৰুৱা।

জন নায়ক :- দেবেশ্বৰ শৰ্মা।

জ্ঞান মালিনী :- মফিজুদ্দিন আহমদ হাজৰিকা।

দেশভক্ত :- তৰুণৰাম ফুকন।

দেশপ্ৰাণ :- লক্ষ্মীধৰ শৰ্মা।

ত্যাগবীৰ :- হেমচন্দ্ৰ বৰুৱা।

ধ্বনি কবি :- কিনন্দ চন্দ্ৰ বৰুৱা।

নট সূৰ্য্য :- ফণী শৰ্মা।

নাট প্ৰভাকৰ :- সত্য প্ৰসাদ বৰুৱা।

মিজলাৰ কবি :- শৈলধৰ ৰাজখোৱা।

প্ৰতিমাৰ খনিকৰ :- চন্দ্ৰ কুমাৰ আগৰৱালা।

পাপৰিৰ কবি :- গনেশ চন্দ্ৰ গগৈ।

বিদ্ৰোহী কবি :- প্ৰসন্নলাল চৌধুৰী।

জোঙনি কবি :- আনন্দ চন্দ্ৰ আগৰৱালা।

লোকপ্ৰিয় :- গোপীনাথ বৰদলৈ।

লোক নায়ক :- অমিয় কুমাৰ দাস।

লোক প্ৰাণ :- মতিৰাম বৰা।

লুইত কোঁৱৰ :- ৰুদ্ৰ বৰুৱা।

লোক বন্ধু :- ডা° ভূ।

শেৱালী কবি :- নন্দকান্ত বৰকাকতী সে

সংগীত সূৰ্য্য/সুৰৰ যাদুকৰ :- ডা° ভূপেন হাজৰিকা।

লোকগীতৰ সম্ৰাজ্ঞী :- প্ৰতিমা বৰুৱা পাণ্ডে।

******

****

***

# মহৎ লোকৰ বাণী

অনি ৰায়
বি. এ. ৫ম ষাণ্মাসিক

যাৰ চকু ফুটিলেও সি অন্ধ নহয়, যি নিজৰ দোষ ঢাকি আনৰ দোষ খুচৰি ফুৰে তেওঁহে প্ৰকৃত অন্ধ।

—মহাত্মা গান্ধী।

অহিংসা কেৱল ঋষি মুনিৰ বাবে নহয়, ই জনতাৰ বাবেও, অহিংসা মানবীয় ধৰ্ম, হিংসা পশুৰ ধৰ্ম।

— মহাত্মা গান্ধী।

শিক্ষাৰ শিপাডাল বৰ তিতা, কিন্তু ইয়াৰ ফলাফল বৰ মিঠা। —যিশু খৃষ্ট।

আনে মোৰ বিষয়ে কি কয় সেইটো গুৰুত্ব পূৰ্ণ কথা নহয়, মই পিছে কি কৰিম আৰু কম সেইটোৱেই গুৰুত্বপূৰ্ণ।

—ৰবীন্দ্ৰ নাথ ঠাকুৰ।

জল সানিলে যিদৰেই জেথৰ পৰিষ্কাৰ হয়, তেনেকৈ ভুল স্বীকাৰ কৰিলে আগতকৈ অন্তৰ শুদ্ধ হয়।

—মহাত্মা গান্ধী।

তোমাৰ লক্ষ্যস্থান ক'ত সেইটো যদি ঠিক কৰিব নোৱাৰা তেন্তে কোন পথে খোজ দিবা কেনেকৈ জানিবা ।

—পেইছ্যাৰ বেকাৰ।

প্ৰকৃত সাধুতা হৈছে লগৰ মানুহক ভাল পোৱাটো আৰু প্ৰকৃত জ্ঞান হৈছে লগৰ মানুহক জনাটো।—কনফুচিয়াছ।

বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা সেৱাৰ ফল শান্তি। —মাদাৰ টেৰেজা ।

তোমাৰ প্ৰথম জয়ৰ পাছত তুমি জিৰনি নলবা । কিয়নো যদি তুমি দ্বিতীয়টো পৰাজিত হোৱা তেন্তে বহুতেই তোমাৰ প্ৰথম জয়ক কেৱল ভাগ্যৰ ফল বুলি কবলৈ বাট চাই আছে।

এজন শিক্ষকে আচল অৰ্থত কেতিয়াও শিকাব নোৱাৰে যদিহে তেওঁ নিজে শিকি নাথাকে, এটা চাকিয়ে আন এটা চাকি জ্বলাব নোৱাৰে যদিহে ই নিজ জ্বলি নাথাকে । —মাদাৰ টেৰেজা ।

# মহৎ লোকৰ বাণী

উৰ্মী ব
বি. এ. ৪ৰ্থ ষাণ্মাসি

১। শিক্ষাই হৈছে মূল উপায় যি মানৱ জীৱনলৈ সুখ শান্তিৰ নিজৰা বোৱাই আনিব পাৰে। —এৰিষ্টটল।

২। আজিৰ কাম আজিয়েই কৰিবা, কাইলৈ কৰিম বুলি পেলাই নথবা, কাৰণ তোমাৰ কি অৱস্থা হ'ব তুমি নিজেই নাজানা।

— হজৰত মহম্মদ

৩। আত্মনিন্দা কৰিব জানিলে পৰনিন্দাৰ পাকত নপৰে। —স্বামী বিবেকানন্দ।

৪। ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই, ঈশ্বৰ আছে মাথো মানুহৰ পবিত্ৰ অন্তৰত এবাৰ ভাবিলেই হ'ল।

—তুলসী দাস।

৫। প্ৰেমৰ আনন্দ ক্ষনস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী। —কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ।

৬। মানুহে ভুল স্বীকাৰ কৰিবলৈ কেতিয়াও লাজ পোৱা উচিত নহয়; কাৰণ ভুল স্বীকাৰ কৰি তেওঁ এই কথাহে প্ৰমাণ কৰে যে তেওঁ আগতকৈ ভাল মানুহ হৈছে। —আলেকজেণ্ডাৰ পোপ।

৭। মোক স্বৰ্গ নালাগে, বৈকুণ্ঠ নালাগে। সুজলা-সুফলা অসম ভূমিত মই বাৰে বাৰে জন্ম ল'ম। —পিয়লি ফুকন।

৮। সুন্দৰ্য্য কেৱল ৰহস্যময় নহয়; সি ভয়ংকৰো। সুন্দৰ্য্যৰ কাৰণে ঈশ্বৰ আৰু চয়তানে যুদ্ধ কৰে। যুদ্ধক্ষেত্ৰ হ'ল মানুহৰ হৃদয়।

—ডষ্টয়েভস্কি

৯। সময় যদি থাকে সেই সময় ভাল কাম, সৃষ্টিশীল কামত খৰচ কৰিব লাগে। —ড' ভবেন্দ্ৰ নাথ শইকীয়া।

# সাথঁৰ

কিনা মণ্ডল
৪ৰ্থ ছেমিষ্টাৰ

ৰাতত আহে মাহত যায়, দিনত নাখাই ৰাতি খায় ?

উত্তৰ :- মুছলমান সকলৰ ৰোজা ।

কানত ধৰি নাকত বহে এনে কি বস্তু ভাল পাই নাখে ?

উত্তৰ :- চশমা ।

বাঘৰ দৰে জোঁপিয়াই কুকুৰৰ দৰে বহে প্ৰথম আখৰ বাদ দিলে উৰি যাব পাৰে ?

উত্তৰ :- ভেকুলী ।

ৰজাৰ ঘৰৰ কলী গাই ঘাটে ঘাটে পানী খায় ?

উত্তৰ :- বৰশী।

মাটিত জন্মে পানীত বাস পানী নহলে সৰ্বনাস ?

উত্তৰ :- নৌকা ।

দীঘলকৈ পুখুৰী চুটিকৈ ঘাট ৩২ জোপা কল গছ এখন হে পাত ?

উত্তৰ :- জিভা ।

এঠেংগীয়া বগলী সদায় নাচে গধূলি ?

উত্তৰ :- বিজুলী ।

কোন দেশত মাটি নাই ?

উত্তৰ :- সন্দেশ ।

মামাৰ ঘৰৰ কলী গাই এক বিয়ান দি মৰি যায় ?

উত্তৰ :- কলগছ ।

মৌ নহয়, ভোঁমৰা ও নহয় কৰে গুন গুন ব্ৰাহ্মন নহয় কিন্তু কান্ধত লগুন ?

উত্তৰ :- যতৰ ।

১১। নদ নদী শুকাই গল গছৰ ওপৰত পানী কল ?

উত্তৰ :- নাৰিকল ।

১২। অত গুম গুম তত গুম গুম হাতী গুম গুম কৰে মধ্য সমুদ্ৰত জুই লাগিলে কোনে ও নিভাব নোৱাৰে ?

উত্তৰ :- সূৰ্য ।

১৩। তিনি আখৰত নাম যাৰ পানীত বাস কৰে প্ৰথম আখৰ বাদ দিলে সকলোৱে খাব পাৰে ?

উত্তৰ :- মাগুৰ ।

১৪। পি পি পি নেটু দিয়া পানী খায় তাৰ নাম কি ?

উত্তৰ :- কেৰাচিন তেলৰ চাকি ।

৮। এঠাটীয়া হাতী ধান খায় পাচি পাচি ?

উত্তৰ :- ঢেঁকি ।

৮। ওপৰত জাপি তালত জাপি মাজত শলা কাঠী এশ পুত্ৰক কোলাত লৈ বৈ আছে মাকজনী ?

উত্তৰ :- তামোলৰ জোপা ।

৮। বিধাতাৰ নিৰ্মিত ঘৰ নাহিকে দুৱাৰ যোগেন্দ্ৰ পুৰুষ তাতে মাকে অনাহাৰ যেতিয়া পুৰুষহয় অতি বলবান বিধাতাৰ ঘৰ ভাঙি কৰে পানবান ?

উত্তৰ :- কনী ।

# সাঁথৰ

সকিনা খাতুন
বি.এ. ২য় ষাণ্মাসিক

১। পাখি নাই উৰি যায়, মুখ নাই মাতে। বুকু ফালি জ্যোতি দিয়ে, চকুলোৰে তিতে।
উত্তৰ ঃ- মেঘ।

২। নাম ছোৱালীৰ ফল খৰালিৰ।
উত্তৰ ঃ- কমলা।

৩। লতা লতা বৰ লতা, কুৰিখন কুঠাৰেৰে নাযায় কটা।
উত্তৰ ঃ- ছাঁ।

৪। কান্দি আছে, কান্দি যায় বিনাদোষে মাৰ খায়।
উত্তৰ ঃ- ঢোল।

৫। মোৰো বাই, দেউতাৰো বাই, ভাইটিয়ে থাকে চাই।
উত্তৰ ঃ- জোনবাই।

৬। কিংকৰৰ বেশ, হল যেন চকু তাৰ নাঙলৰে বেশ।
উত্তৰ ঃ- মিছামাছ।

৭। খোৱাত এটা, লোৱাত এটা, কৰাত এটাও নাই, সেইটোনো কি?
উত্তৰ ঃ- 'ৱ' আখৰটো।

৮। তাক্ ধিন্ ধিন্ ধিট্ তাও, দোষ নকৰিলেও মাৰ খাওঁ।
উত্তৰ ঃ- তবলা।

৯। শোষক বীৰৰ ভাই, মূৰ দুপিয়াই তেজ খায়।
উত্তৰ ঃ- তেজপিয়া।

১০। এযোৰ পক্ষী আছে, কাকো কোনেও নৈদেখে।
উত্তৰ ঃ- চকু

১১। পিটিকিলে ভাঙে, আফালিলেও নাভাঙে।
উত্তৰ ঃ- ভাত।

১২। নদী আছে পানী নাই, গছ আছে পাত নাই।
উত্তৰ ঃ মানচিত্ৰ।

১৩। ডেকা কালত আকাশ চোৱা, বুঢ়া কালত তলমুৱা।
উত্তৰ ঃ- বাঁহ।

১৪। সৰগলৈ নাযাবা, সতফুল নাখাবা, কেঁচাপাতত নাবান্ধিবা লোণ উপজিয়ে লৰ মাৰে কোন?
উত্তৰ ঃ- জেঠী।

১৫। ওপৰত কাঠ তলত কাঠ, চাৰিখন বঠাৰে নাও বাই যায় জগন্নাথ।
উত্তৰ ঃ- কাছ।

১৬। কাটিলেও কটা নাযায়, বটিলেও বটা নাযায়।
উত্তৰ ঃ- পানী।

১৭। ঘৰৰ ভিতৰত ঘৰ, তাতে পৰি মৰ।
উত্তৰ ঃ- আঠুৱা।

১৮। জুইয়ো নহয় তৰাও নহয়, নহয় জোনবাই।
পোহৰতকৈ আন্ধাৰতহে ভালকৈ দেখা পায়।
উত্তৰ ঃ- বিজুলি চাকি।

১৯। খাওঁতে খায়, পেটো নভৰে, মুখেও নাপায়।
উত্তৰ ঃ- উজুটি।

২০। এই দেখিলো এই নাই, কনীয়াৰ লোকানতো নাই, হায় মোৰ বিধি কৰিলি কি? বাহুৰে খুজিলো দিমনো কি?
উত্তৰ ঃ- শিল বৰসুণৰ শিল।



প্ৰবন্ধ

# স্মৃতি শক্তি

বিপুল মালাকাৰ
৪ৰ্থ ষাণ্মাসিক

[illegible] এই জীৱন প্ৰচুৰ সম্পদেৰে পূৰ্ণ। আনহাতে, আমাৰ [illegible] প্ৰতিনিয়ত নানা ধৰণে জটিলতাময় হৈ উঠিছে। আপুনি [illegible] কথা পাহৰি যায়, তেনেহলে সি আপোনাৰ ক্ষতি সাধন [illegible] সময়ত নিৰ্দিষ্ট কথাটো মনত পেলাব নোৱাৰাটো [illegible] দোষ।

[illegible] পাহৰি যোৱা মানুহ আজিৰ যুগত এক প্ৰকাৰ অচল [illegible]। এই পৃথিৱীত তেওঁ কোনো ধৰণৰ সুযোগ নাপায়।

[illegible] জীৱনত সাফল্য লাভৰ ক্ষেত্ৰত স্মৃতিশক্তি এটা ডাঙৰ

এই স্মৃতি শক্তিয়েই আপোনাৰ স্বৰূপ সমাজৰ আগত দাঙি [illegible] আপোনাৰ স্মৃতিশক্তিক যদি আপোনাৰ পৰা সম্পূৰ্ণৰূপে [illegible] পেলোৱা হয়, তেনেহলে আপুনি এটা অনুভূতিহীন [illegible] পৰিণত হ'ব।

[illegible] লক্ষ্য ৰাখিব, আপোনাৰ স্মৃতিশক্তি লোপ পোৱাতো [illegible], সি যেন সামান্য পৰিমাণেও দুৰ্বল হ'ব নোৱাৰে। তাৰ [illegible] বাবে আপুনি সকলো সময়তে প্ৰচেষ্টা চলাই যাব [illegible]

[illegible] এনেদৰে ভাবে যে, "স্মৃতি শক্তি এটা ঐশ্বৰিক দান। [illegible] সেইটো নাথাকে। সেয়ে ইচ্ছা কৰিলেই কেৱে [illegible] কৰিব নোৱাৰে"— এইবোৰ এটা ভিত্তিহীন ধাৰণা। [illegible] কোনো ধৰণৰ ঐশ্বৰিক দান নহয়।

[illegible] স্মৃতিশক্তি ভাল-বেয়া হোৱাৰ লগত মানুহৰ কৰ্ম পদ্ধতিৰ [illegible] যোগাযোগ আছে। "ব্ৰেইন বিল্ডিং যৰ হাকছেছ" নামৰ [illegible] গ্ৰন্থত ডাঃ এনেভাৱে এই বিষয়ে কিছু সুন্দৰ কথা [illegible] স্মৃতি শক্তিৰ বিষয়ে হেজাৰ হেজাৰ মানুহৰ ওপৰত সমীক্ষা [illegible] এনে এটা সিদ্ধান্তত উপনীত হৈছে— কথা মনত ৰখাৰ বিষয়টোক লৈ আমি চিন্তিত হোৱাৰ কোনো প্ৰয়োজন নাই। কাৰণ আমাৰ স্মৃতিশক্তি নিজৰ ঠাইতেই থাকে। আমি মাথোন সঠিকভাৱে কাম কৰি গ'লেই হ'ল।

এতিয়া প্ৰশ্ন হ'ল, আমি পাহৰি যাওঁ কিয়?

হয়, এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন।

মানুহে বহু কথা পাহৰি যায় কিয়? ডাঃ এনেভাৱে সমগ্ৰ জীৱনজুৰি এই বিষয়টোক লৈয়েই গৱেষণা কৰি গৈছিল। তেওঁ আবিষ্কাৰ কৰাৰ চেষ্টাই কৰিছিল আমি কিয়, কেনেদৰে কথাবোৰ পাহৰি যাওঁ আৰু আমাৰ স্মৃতিশক্তিক কিদৰে প্ৰখৰ কৰা যায়।

এইখিনিতে আক্ষেপৰ কথাটো হ'ল, আমি নিজেই যত সমস্যাৰ মূল। আমি নিজেই আমাৰ স্মৃতিশক্তিক নিস্তেজ কৰি পেলাওঁ। আমাৰ বহুতে প্ৰায়ে এনেদৰে কোৱা শুনা যায়— "মই হয়তো কথাটো পাহৰি যাম" "কথাটো জানো মোৰ ক'ত মনত থাকিব?" "আচল কথাটো কি জানে, আজিকালি মই নিজেই মোৰ ব্ৰেইনক বিশ্বাসত ল'ব নোৱাৰা হৈছোঁ। কথাবোৰ ইমানকৈ পাহৰা হৈছোঁ যে, কেতিয়াবা কেতিয়াবা বৰ সমস্যাত পৰিব লগা হয়। সময়ত গৈ একোকে মনত পেলাব নোৱাৰোঁ। যি মুহূৰ্তত এজন মানুহে এই ধৰণৰ বাক্য উচ্চাৰণ কৰিব, ঠিক সেই মুহূৰ্তত তেওঁ সম্পূৰ্ণৰূপে নিজৰ স্মৃতিশক্তিক নষ্ট কৰি পেলায়।

আপুনি আপোনাৰ স্মৃতিশক্তিৰ প্ৰতি যিমান অনাস্থা প্ৰকাশ কৰিব, সি সিমানেই দুৰ্বল হৈ পৰিব। সেয়ে আপোনাৰ নিজৰ বাবে আপোনাৰ নিৰাপত্তাৰ স্বাৰ্থতে আপোনাৰ স্মৃতিৰ ওপৰত বিশ্বাস ৰাখক। সেই বিশ্বাসত কোনো অৱস্থাতে ফাট মেলিব নিদিব।

কিবা এটা কামা খৰচি মাৰি শিকিলে বা কিবা এটা কথা মনোযোগ দি শুনিলে আপুনি কেতিয়াও তাক পাহৰি নাযায়। ডাঃ এনেভাৱৰ মতে, আমি এই খিনিতেই যত গণ্ডগোলখন কৰোঁ। ডাঃ

এলেভাৰৰ মতে, আমি এইখিনিতেই ভুল কৰো। আমি ভাবো আমি সকলো কথা জানো। আচলতে আমি খুব কম কথাহে জানো। আৰু যিখিনি জানো সেই খিনিও ভালদৰে নাজানো। তাৰ প্ৰমাণ হল আমি জনা কথাবোৰ পাহৰি যাওঁ।

অথচ এইটো প্ৰমানিত সত্য যে, আমি যিবোৰ কথা ভালদৰে জানো, সেইবোৰ কথা আমি কেতিয়াও নাপাহৰো।

তেনেহ'লে জনাৰ সঠিক আৰু শ্ৰেষ্ঠ কৌশলটো নো কি?

জনাৰ সঠিক পদ্ধতিটো হ'ল নিজৰ মনক উন্মুক্ত কৰা।

মনৰ সকলো দুৱাৰ-খিৰিকী সম্পূৰ্ণৰূপে খুলি দিয়ক। আপোনাৰ মনক জনাৰ আৰু জনা কথা মনত ৰখাৰ বাবে প্ৰস্তুত কৰি তোলক। গভীৰভাৱে সকলো কথা জানিবলৈ চেষ্টা কৰক। সকলো কথাকে ভালদৰে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰক। তাৰ পাছৰ ঘটনাবোৰ নিজে নিজেই ঘটি থাকিব। সকলো কথা জনাৰ বাবে যদি আপোনাৰ মন উদগ্ৰীৱ হৈ থাকে, সকলো কথা শুনাৰ বাবে আপোনাৰ কান দুখন যদি সকলো সময়তে সাজু হৈ থাকে, তেনেহ'লে আপুনি লক্ষ্য কৰিব কোনো কথাই আপুনি পাহৰি নাযায়। শিকা আৰু জনা কথাখিনিক পাহৰি নাযাবলৈ সেইবোৰক মনতে মাজে মাজে পাগুলি বা ঘুৰ ঘুৰাই থাকিব। তেনে কৰিলে আপুনি জনা কথাখিনি পাহৰি নাযায়। শিকা আৰু জনা বিষয় এটাৰ নিয়মিত চৰ্চা নকৰিলে সেইবো[ৰ] পাহৰি যোৱা যায়। মানুহৰ স্মৃতিৰ ক্ষেত্ৰতো সেই একে কথা। স্মৃতি[ক] ব্যৱহাৰ কৰি নাথাকিলে সি অলস বা ভোতোৰা হৈ পৰে। তা[ক] মামৰে ধৰে। তাৰ চোক নোহোৱা হয়।

সেয়ে শ্ৰোতা সকল আপুনি আন আন জ্ঞান চৰ্চাৰ দৰে ব্ৰেই[ন] নিয়মিত চৰ্চা কৰিব লাগিব। কবিতা, গান, নাটকৰ উক্তি আদি মুখ[স্থ] কৰিব। সেইবোৰ মাজে মাজে আওৰাই থাকিব। টোপনি ঠিকে ৰাখি[ব।] স্বাস্থ্যৰ প্ৰতি যত্ন লব। তেনেহলে আপোনাৰ স্মৃতি শক্তি সবল হ'[ব] সজীৱহৈ উঠিব। গঢ় লৈ উঠিব সবল ব্যক্তিত্ব সফল জীৱন। ◉



# মহাপুৰুষ শংকৰদেৱ আৰু গুৰু নানকৰ জীৱন শৈলীঃ এটি তুলনামূলক আলোচনা

মালা মজুমদাৰ
অসমীয়া বিভাগ

শ্ৰীমন্ত শংকৰদেৱ আৰু গুৰুনানক এই দুয়োগৰাকী [illegible]কালীন সৰ্বগুণৰ সৰ্বোত্তম মহাপুৰুষ। এজোন ব্যক্তিয়ে জীৱন [illegible] কৰা বিশেষ কৰ্মনৈপুণ্যতাৰ নিদৰ্শনৰ ভবিষ্যতে মহত্বৰ স্বীকৃতি [illegible] হয়। শংকৰদেৱ আৰু গুৰুনানক দুয়োগৰাকী মহাপুৰুষৰ জীৱনশৈলী বিশ্লেষণ কৰিলে অনুমান কৰিব পাৰি যে দুয়োগৰাকীৰ জীৱন শৈলী প্ৰায় একে। দুয়ো গৰাকী মহাপুৰুষৰ জন্ম, ভাষা আদি [illegible] হলেও উদ্দেশ্য কিন্তু একে আছিল।

ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা এই দুয়োগৰাকী মহাপুৰুষৰ মূল উদ্দেশ্য একেশ্বৰবাদী ভক্তি ধৰ্ম প্ৰচাৰ কৰা। দুয়োগৰাকী মহাপুৰুষৰ জীৱনশৈলী অধ্যয়ন কৰিলে এনে ধাৰণা হয় যেন দুয়োগৰাকী মহাপুৰুষক একে উদ্দেশ্যৰে ঈশ্বৰৰ দূত হিচাপে যেন পৃথিৱীলৈ পঠিওৱা হৈছে। দুয়ো গৰাকী মহাপুৰুষ আছিল তীক্ষ্ণ মেধাৱী, সমাজ সংস্কাৰক, দয়ালু, সৎ সাহসী, সু-সাহিত্যিক, যুক্তিবাদী, সংসাৰী হৈও উদাসীন আৰু একান্তভাৱে ঈশ্বৰ ভক্তিত আত্মমগ্ন।

দুয়োজনা মহাপুৰুষৰ বিষয়ে চৰিতকাৰ সকলে লিখা মতে, শংকৰদেৱৰ জন্মৰ সময়ত হেনো ডবা-কাঁহ আদি বাজি উঠিছিল। ঠিক একেদৰে চৰিতকাৰ সকলৰ মতে, গুৰু নানকৰ জন্মৰ সময়ত [illegible] পুৰুষ সকলে স্বৰ্গীয় সংগীত মূৰ্ছনা শুনিবলৈ পাইছিল। শিক্ষা [illegible] ক্ষেত্ৰতো বুঢ়ীমাক খেৰসূতীয়ে অমনোযোগী শংকৰক মহেন্দ্ৰ কন্দলী টোলত শিক্ষা লাভৰ বাবে ভৰ্তি কৰি দিছিল। কিন্তু সকলোকে [illegible] কৰি কেইদিন মানৰ ভিতৰত শংকৰে ক-কলা শিকি "কৰতল [illegible] দল নয়ন ............" নামে গভীৰ তত্বমূলক কবিতাফাকি [illegible] কৰি গুৰু জীৱনৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছিল। শংকৰে [illegible] কবিতাফাকি পঢ়ি গুৰুৱে শংকৰক 'দেৱ' উপাধিৰে বিভূষিত কৰিছিল। কম সময়ৰ ভিতৰত শংকৰদেৱে চাৰি বেদ, চৌধ্য শাস্ত্ৰ, [illegible] পুৰাণত ব্যুৎপত্তি লাভ কৰি বিদগ্ধ পণ্ডিতৰ পৰিচয় দিছিল। [illegible] একেদৰে নানকেও নিচেই কম বয়সতে পণ্ডিত বৈদ্যনাথৰ ওচৰত [illegible] আৰু মৌলবী কুতুবুদ্দিনৰ ওচৰত পাৰ্চী আৰু উৰ্দু ভাষা শিকিবলৈ লয়। নানকেও বৰ্ণমালাৰ প্ৰতি বৰ্ণৰ আদি আখৰবোৰেৰে এটি মনোৰম আৰু জ্ঞানোদ্দীপ্ত প্ৰাৰ্থনা ৰচনা কৰি সুন্দৰ কণ্ঠৰে গাই শিক্ষকক চমৎকৃত আৰু বিমুগ্ধ কৰিছিল। অতি কম সময়ৰ ভিতৰত বহু শাস্ত্ৰ অধ্যয়ন কৰি নানকেও পাণ্ডিত্য অৰ্জন কৰিছিল।

মহাপুৰুষ শংকৰদেৱে শৈশৱতে প্ৰকৃতিমুখী আছিল, আৰু নিৰ্জন ঠাইত বহি ঈশ্বৰক ধ্যান কৰিছিল। এবাৰ গৰু চৰাবলৈ গৈ দুপৰীয়া গছৰ তলত জিৰণী লওঁতে মুখৰ ওপৰত ছাঁ দিছিল ফণাযুক্ত ফেটি সাপে। শংকৰদেৱক তেওঁৰ সহপাঠী সকলে আনকি শিক্ষা গুৰুৱেও ঈশ্বৰৰ অংশ বুলি বিশ্বাস কৰিছিল। ঠিক একেদৰে গুৰু নানকেও শৈশৱত প্ৰকৃতিমুখী হৈ অকলশৰে ঈশ্বৰৰ কথা ভাবি ভাল পাইছিল। নানকেও গৰু চৰাবলৈ গৈ গছৰ ছাঁত জিৰণী লওঁতে মুখৰ ওপৰত ছাঁ দিছিল ফণাযুক্ত ফেটি সাপে। নানকৰ সহপাঠী তথা শিক্ষা গুৰুৱেও নানক ঈশ্বৰৰ আশীৰ্বাদ বুলি বিশ্বাস কৰিছিল। নানকে নিজৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ দ্বাৰা সমাজত প্ৰভাৱ বিস্তাৰ কৰিছিল।

মহাপুৰুষ শংকৰদেৱে কিছুদিনৰ বাবে দুঅণ ৰাজ্যৰ দায়িত্ব বহন কৰিছিল যদিও ধৰ্ম সংস্থাপনৰ বাবেই যাৰ অৱতাৰ, তেওঁক ৰাজকাৰ্য ভোগ-বিলাসে বন্দী কৰি ৰাখিব নোৱাৰে। সংসাৰৰ প্ৰতি উদাসীনতাৰ বাবে শংকৰদেৱে শাসকৰ পদ এৰি বৈৰাগী হৈছিল। প্ৰথমা পত্নীৰ বিয়োগৰ পাছত জীয়েক মনুক বিয়া দি ১২ বছৰ কাল ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰি ঘূৰিছিল। ঠিক একেদৰে নানকেও সৰুৰে পৰা উদাসীন আৰু যুক্তিবাদী আছিল। উদাসীনতাৰ বাবে নানকক সংসাৰৰ বন্ধনত আবদ্ধ কৰি ৰাখিবৰ উদ্দেশ্যে বিবাহ পাশত আবদ্ধ কৰাই দিয়ে। কিন্তু পত্নী আৰু সন্তানৰ মোহেও নানকক সংসাৰৰ বন্ধনৰ মাজত আবদ্ধ কৰি ৰাখিব নোৱাৰিলে। সংসাৰৰ প্ৰতি উদাসীনতা আৰু ধৰ্ম জগতৰ প্ৰতি নানকৰ মন প্ৰবলভাৱে আকৰ্ষিত হবলৈ ধৰে। নানকে গভীৰভাৱে উপলব্ধি কৰিব ধৰিলে যে সংসাৰখন অসাৰ, ক্ষণভংগুৰ আৰু মূল্যহীন। সেয়েহে সংসাৰৰ সকলো মায়া মমতা ত্যাগ কৰি সত্যৰ সন্ধানত শংকৰদেৱে যি পথত

আগবাঢ়িছিল, নানকেও ভাৰতৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰিছিল। শঙ্কৰদেৱৰ প্ৰিয় শিষ্য যিদৰে মাধৱদেৱ, গুৰুনানকৰো প্ৰিয় শিষ্য আছিল মৰ্দনা।

মহাপুৰুষ শঙ্কৰদেৱে অস্পৃশ্যতা, জাতিভেদ, জীৱ হিংসা আদি তেখেতৰ ধৰ্মত স্থান দিয়া নাই। এক শৰণ নাম ধৰ্মত সাম্যৰ আদৰ্শ নিহিত আছে। নগা, মিৰি, গাৰো আদিকে কৰি সকলোৱে তেখেতৰ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। শঙ্কৰদেৱে অস্পৃশ্যতা আৰু বৰ্ণবাদী সমাজ ব্যৱস্থা নিপাত কৰিছিল। শঙ্কৰদেৱৰ দৰে নানকৰ মতেও ভগৱান সৃষ্ট মানৱৰ মাজত জাতিভেদ, স্পৃশ্য-অস্পৃশ্য, উচ্চ-নীচ ভেদভাব থাকিব নোৱাৰে। ব্ৰাহ্মণ, শূদ্ৰ, হিন্দু-মুছলমান সকলো সমান।

শঙ্কৰদেৱে এক শৰণ ভাগৱতী ধৰ্ম প্ৰৱৰ্তন কৰে। একান্তভাৱে ধৰিত শৰণ লৈ তেওঁৰ নাম শ্ৰৱণ কীৰ্তন কৰি সংসাৰৰ পৰা মুক্তি লাভ কৰি পৰম পদ পাব পাৰি। ঠিক একেদৰে শিখ ধৰ্ম মতে ঈশ্বৰ এজনেই। তেওঁৱেই সৰ্ব শক্তিমান। ভক্তিৰ যোগেদি ভগৱৎ প্ৰাপ্তি ঘটে। মানৱ সেৱা আৰু মানৱ প্ৰেমেই এই ধৰ্মৰ মূল মন্ত্ৰ। শ্ৰৱণ আৰু কীৰ্তন ভগৱৎ প্ৰাপ্তিৰ একমাত্ৰ পথ। দুয়োগৰাকী মহাপুৰুষৰ ধৰ্মত মূৰ্তি পূজাৰ প্ৰচলন নাই।

শঙ্কৰদেৱে প্ৰাৰ্থনাৰ বাবে বৰগীত, কীৰ্তন পুথি ৰচনা কৰিছিল। গুৰু নানকেও ঈশ্বৰক উপাসনা কৰিবলৈ প্ৰাৰ্থনা গীত, ভজন আদি ৰচনা কৰিছিল। শঙ্কৰদেৱে ৰচনা কৰা 'কীৰ্তন' পুথিৰ দৰে গুৰুনানকেও 'কীৰ্তন সোহিলা' ৰচনা কৰিছিল। অৱশ্যে 'কীৰ্তন সোহিলা' শঙ্কৰদেৱৰ 'কীৰ্তন ঘোষাৰ' দৰে বৃহৎ গ্ৰন্থ নহয়। ই ভক্তিমূলক গীতৰ অংশ বিশেষ। শঙ্কৰদেৱ আৰু গুৰুনানক দুয়োজনে নাম কীৰ্তনৰ মাধ্যমেৰে ঈশ্বৰক সাধনা কৰিছিল।

শঙ্কৰদেৱ আৰু গুৰুনানক দুয়োজন মহাপুৰুষে ৰজাৰ কোপত পৰিছিল। শঙ্কৰদেৱ ৰজা নৰনাৰায়ণৰ দ্বাৰা বিচাৰৰ সন্মুখীন হৈছিল যদিও পাছত শঙ্কৰদেৱৰ ব্যক্তিত্বৰ বিষয়ে জানিব পাৰি শেষত শঙ্কৰগুৰুৰ একান্ত ভক্ত হৈ পৰিছিল। ঠিক একেদৰে গুৰুনানকেও ৰজা বাবৰৰ দ্বাৰা বিচাৰৰ সন্মুখীন হৈ সাধাৰণ বন্দীৰ দৰে আটক হব লগাও হয়। অৱশেষত নানকৰ গুণাৱলীৰ কথা গম পাই স-সন্মানেৰে মুকলি কৰি দি গুৰুনানকৰ পৰা আশীৰ্বাদ বিচাৰিছিল। মুঠতে দুয়োগৰাকী মহাপুৰুষে ৰজাৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

শঙ্কৰদেৱ আৰু গুৰুনানক দুয়োজনেই আছিল উদাসীন ভক্ত। দুয়োজনেই বৈৰাগী হৈও গৃহী আছিল। দুয়োগৰাকী মহাপুৰুষে দীৰ্ঘ সময়ৰ বাবে গৃহৰ পৰা আঁতৰি গলেও পুনৰ স্ব-গৃহলৈ প্ৰত্যাগমন কৰিছিল। শঙ্কৰদেৱে দুবাৰকৈ তীৰ্থ ভ্ৰমণ কৰি নানা সাধু-সন্ত মহন্তৰ লগত ধৰ্মালোচনা কৰি তেখেতৰ প্ৰৱৰ্তিত ধৰ্মমতৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছিল। দুবাৰকৈ বিবাহ পাশত আবদ্ধ হলেও, তেখেত আছিল অনাসক্ত গৃহী। গুৰু নানকেও নানা দেশ পৰ্যটন কৰি সত্যৰ সন্ধান আৰু মনৰ শান্তি বিচাৰি ব্যৰ্থ হৈছিল। কিন্তু হঠাতে এদিন গা-ধুবলৈ গৈ গুৰুনানক অদৃশ্য হৈ তিনিদিনৰ মূৰত পুনৰ ঘৰলৈ ঘূৰি আহিল। জন প্ৰবাদ মতে, সেই তিনিদিনত নানকৰ হেনো বিষ্ণুদূতে বৈকুণ্ঠলৈ নি দীক্ষা প্ৰদান কৰি গুৰুৰ মহিমা প্ৰচাৰৰ আদেশ দিয়ে। দিব্যজ্ঞান লাভ কৰাৰ পাছত পুনৰ অনাসক্ত সংসাৰী জীৱন আৰম্ভ কৰে। মুঠতে শঙ্কৰদেৱ আৰু গুৰুনানকৰ জীৱন ধাৰা একেডালি সূতাৰে গঁথা।

দুয়োগৰাকী আছিল সমসাময়িক মহাপুৰুষ আৰু দুয়ো গৰাকীৰ জন্ম হৈছিল এক জটিল ৰাজনৈতিক সন্ধিক্ষণত। বিভিন্ন সমাজ দুয়োগৰাকী মহাপুৰুষে নানা ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হব লগা হৈছিল। কিন্তু একান্ত ঈশ্বৰ ভক্তি তথা দৃঢ় সততাৰ বাবে প্ৰত্যাহ্বানবোৰ হেলাৰঙে মুখা-মুখী হোৱাৰ সাহস পাইছিল। দুয়োগৰাকী মহাপুৰুষৰ মানৱী লীলা সম্বৰণ প্ৰক্ৰিয়াও প্ৰায় একে ধৰণৰ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মানৱী লীলা সম্বৰণ ধ্যানত মগ্ন হৈ থকা অৱস্থাত সমাধিস্থ হৈছিল। মানৱী লীলা সম্বৰণ কৰোঁতে শঙ্কৰদেৱৰ দেহৰ সলনি এপাহ পদুম ফুলৰ কপাহহে অৱশিষ্ট ৰাখি থৈ গৈছিল। ঠিক একেদৰে গুৰু নানদেৱেও শৱদেহৰ সলনি কিছুমান সুগন্ধযুক্ত ফুলহে অৱশিষ্ট হিচাপে থৈ গৈছিল।

মুঠতে দুয়োগৰাকী মহাপুৰুষৰ জীৱন দৰ্শন, উদ্দেশ্য জীৱন-ধাৰণ পদ্ধতি, সমাজ সংস্কাৰ মূলক কৰ্ম, ধৰ্ম প্ৰচাৰ আৰু সমাজৰ বৈষম্য, শোষণ, নিপীড়ন আদিৰ বাবে উঠি পৰি লাগি থকা আদি বহুখিনি মিল থকাটো তেওঁলোকৰ জীৱনী পঢ়িলেই অনুভৱ কৰিব পাৰি। দুয়োগৰাকী মহাপুৰুষৰ এনে সাহসী সমাজহিতৈষী কৰ্মই জীৱিত কালতেই সৰ্বজনীন ভাৱে শ্ৰদ্ধেয় আৰু কিংবদন্তী পুৰুষ ৰূপে গঢ়ি তুলিছিল। বৰ্তমান সময়তো দুয়োগৰাকী মহাপুৰুষৰ দি আদৰ্শ, যি শিক্ষা সেয়া সমাজৰ বাবে পাথেয় হৈ আছে। ▣

# ঐতিহাসিক ধুবুৰী

*জিয়ামনি দাস*
৩য় ছেমিষ্টাৰ

অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত ধুবুৰী এখন পিছপৰা, কিন্তু ... পূৰ্ণ জিলা । ইয়াৰ চাৰিসীমাৰ এলেকাত আছে এখনকৈ ...দেশ আৰু প্ৰদেশ । ধুবুৰী নামৰ সৈতে জড়িত হৈ আছে এসময়ৰ ...ৰ ভালেমান ঐতিহাসিক ঘটনা । যদিওবা এই পৰিঘটনাৰ ... নিশ্চিত সময় স্পষ্টকৈ জনা নাযায়, তথাপিও, ইয়াৰ ইতিহাস ...হেজাৰমান বছৰৰ আগৰ পৰা বিনিকি বিনিকি অনুধাৱন কৰিব ... । কিংবদন্তি মতে চান্দসদাগৰে, শিৱপুত্ৰী মনসা দেৱীৰ সৈতে ...জনৰ পৰিণামত তেওঁৰ পুত্ৰ লক্ষীন্দৰৰ সৰ্পদংশনত মৃত্যু ... । পিছলৈ যদিওবা চান্দসদাগৰে মনসাক পূজা দিবলৈ বাধ্য ..., তেওঁৰ বোৱাৰীয়েক সতী বেউলাই, ব্ৰহ্মপুত্ৰৰে স্বামীৰ মৃত ...লগত ভেলেৰে উটি আহি থাকোতে এই ঠাইতে হেনো দেৱী ...ই এজনী ধুবুনীৰ ৰূপ লৈ কাপোৰ ধুই আছিল । ব্ৰহ্মপুত্ৰৰ ...ে ভটিয়াই যোৱা ভেলাত উঠি থকা বেউলাই দেখিছিল ধুবুনীয়ে ...কামত আমনি কৰা পুতেকক মাৰি থৈ দিছে কাম শেষ হোৱাৰ ... পুনৰ জীয়াই তুলিছে । বেউলাই তেতিয়া ধুবুনীক ঈশ্বৰ সৰূপ ...ভৰিত ধৰি তেওঁৰ স্বামীকো জীয়াই দিবলৈ অনুৰোধ কৰিছিল। ...ৰূপী মনসাই কৈছিল ঠিক আছে তোমাৰ স্বামীক জীয়াই দিম ...ব, কিন্তু তুমি দেৱীৰ মন্দিৰত নাচি নাচি দেৱীৰ সন্তুষ্ট কৰিব ... । বেউলা মান্তি হৈছিল । নৃত্যত সন্তুষ্ট হৈ দেৱীৰ মনসাই ...লাৰক প্ৰান দান দিছিল । এই ধুবুনীৰূপী মনসাই কাপোৰ ...ঘাটকে এতিয়া নেতাই ধুবুনী ঘাট আৰু এই ধুবুনী শব্দৰ পৰাই ... শব্দৰ উৎপত্তি । চান্দ সদাগৰৰ কাহিনীৰ সৈতে ধুবুৰীৰ ...থান ঠাই যেনে চান্দৰডিঙা পাহাৰ, যত চান্দসদাগৰৰ চৈধ্যখন ...ডুব গৈছিল । টোকোৰাবন্দা বা টোপোলা বন্দা পাহাৰ যত সদাগৰৰ মানুহবোৰে টালি টোপোলাবোৰ কোনো মতে লৈ আশ্ৰয় লৈ আছিল আদি ঠাইবোৰে সেই সময়ৰ ইতিহাসৰ সঙ্কেত দিয়ে । ধুবুৰী জিলাৰ বৰ্তমানৰ দুধনাথ পাহৰতে হেনো ঋষি পালকাপাই একাদশ শতিকাতে সংস্কৃত ভাষাত হস্তায়ুৰ্বেদ ৰচনা কৰিছিল। হস্তায়ুৰ্বেদ হৈছে হাতীৰ চিকিৎসা পুথি । ধুবুৰীৰ প্ৰকৃতি আৰু পৰিৱেশ আছিল ঘন অৰণ্য আবৃত । বাঘ হাতীৰ ঠাই । সেইবাবে ইয়াত ব্যাঘ্ৰদেৱতা সোনাৰায়ৰ পূজা হৈছিল । টোকোৰাবন্দা পাহাৰত ব্যাঘ্ৰদেৱৰ মূৰ্তি আবিষ্কাৰ হোৱাৰ কথাই ইয়াক প্ৰতীয়মান কৰে । ধুবুৰী জিলা প্ৰাচীন কামৰূপৰ গোৱালপাৰা এলেকাৰ অংশ । গতিকে ইয়াত পুৰণি কামৰূপ ভাষাৰ লগতে আধুনীক অসমীয়া ভাষাৰ এতন অঞ্চলৰ লোকভাষাৰ সম্মিলিত ৰূপনাটৰ প্ৰচলন বৰ্তমান বৰ্হি থকা আমি দেখিবলৈ পাওঁ। ইয়াৰ ভাষাৰ এক সুকীয়া বৈশিষ্ট আছে । যদিওবা আমি অসমীয়া ভাষাক মান্যভাষা ৰূপে বা মাতৃভাষাৰূপে আদৰি লৈছো ধুবুৰী জিলাৰ প্ৰচলিত ভাষা মান্য অসমীয়া ভাষাতকৈ কিছু ভিন্ন । কাৰণ অবিভক্ত গোৱালপাৰা জিলাৰ মান্য অসমীয়া বা লিখিত ৰূপৰ প্ৰচলন হয় ১৯৫০ চনৰ পৰা দশকৰ পিছতহে । গতিকে স্কুল কলেজ তথা অফিচ কাছাৰীত বঙালী ভাষাৰ অধিপত্যই আছিল অধিক । যাৰ ফলত ভাষা সাহিত্যৰ ক্ষেত্ৰত এই জিলাই বহখিনি পিছ পৰিবলগীয়া হৈছিল । কিন্তু ইয়াৰ লোকাচাৰ লোককৃষ্টি হিন্দু-মুছলমান ধৰ্ম ভেদে জাতীয় সংস্কৃতিৰ এক উমৈহতীয়া স্বাভাৱিক বৈশিষ্ট আছে যাৰ বাবে সেই ভিন্নতাৰ মাজতো আমি অসমীয়া জাতিৰ মাজত অভিন্ন । ভাৰতৰ স্বাধীনতা সংগ্ৰামত ধুবুৰী জিলাৰ অৱদান অৱদান আছে । অসমীয়া ভাষাক অসমৰ জাতীয় ভাষাৰূপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো ধুবুৰী বাসীৰ সংগ্ৰামৰ বহমূলীয়া অৱদান আছে ।

প্ৰাকস্বাধীন কালত অসমক বাংলাদেশৰ লগত যুতিছে সঙৰি দিয়াৰ বিৰুদ্ধে চলা সংগ্ৰাম, স্বাধীনোত্তৰ কালত ইয়াক পশ্চিমবঙ্গৰ লগত সাঙুৰি দিয়াৰ বিৰুদ্ধে কৰা সংগ্ৰামত ধুবুৰী বাসীৰ অৱদানৰ কথা অসমৰ বাহিৰে পাহৰিব নোৱাৰে। ধুবুৰী জিলা বাসীয়ে সময়ে, অসমৰ আন আন ঠাইত বাহিৰতকৈ বহু বেছি সংঘাতময় অৱস্থা অতিক্ৰম কৰিব লগা হৈছে নিজকে অসমীয়া ৰূপে প্ৰতিষ্ঠাৰ ক্ষেত্ৰতে হওঁক বা অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰতে হওঁক। কিন্তু পৰিতাপৰ কথা এয়ে যে ইয়াৰে বিনিময়ত ধুবুৰী বাসী সকলে স্বীকৃতিতো দূৰৰ কথা, বহুক্ষেত্ৰত লাঞ্ছনা-বাঞ্ছনাহে পাত্ৰ হব লগা হৈছে। আজিও ধুবুৰী বাসীৰ অৱস্থা শৈক্ষিক অৰ্থনৈতিক আদিৰ দিশৰ পৰা অতি নিম্নমানৰ। উন্নয়নৰ হাৰ অতিধীৰ। আজিকোপতি ইয়াতে কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান নহ'ল। বিশ্ববিদ্যালয়ৰ কথা অনুষ্ঠাতো আকাশ কুসুম। ৰাস্তা-পদুলি, চিকিৎসালয় আদিৰ অৱস্থা অতি শোচনীয়। এনে এক পৰিবেশত আমি অনিচ্ছাকৃত ভাবে হলেও এই ক্ষেত্ৰত ক্ষোভ ব্যক্ত কৰিব লগা হোৱাত দুখ পাইছো যদিও মনৰ কথা খিনি নোকোৱাকৈ থাকিব পৰা নাই। অসমীয়া সাহিত্যৰ নিদৰ্শন এই ধুবুৰী জিলাত ইয়াৰে বিভিন্ন সত্ৰ-নামঘৰ, মন্দিৰ-মছজিদত আজি জলজল-পটপট কৈ জিলিকি আছে। বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থগাৰিক ড° হৰিচৰণ দাসে ভাৰতীয় ইতিহাস গৱেষণা পৰিষদৰ অধীনত কৰা এক গৱেষণা অনুসৰি জিলাখনত এনেধৰণৰ অধিক সাঁচিপতীয়া আৰু তুলাপতীয়া পুথি আছে। যাৰ ভাষা কামৰূপী বা প্ৰাচীন অসমীয়া। কামৰূপী লিপিৰে লিখা সংস্কৃত ভাষাৰ পুথিও ইয়াতে আছে। ধৰ্মপুথিৰ পৰা চিকিৎসাশাস্ত্ৰলৈকে নানাবিধৰ এই পুথিবোৰে প্ৰমাণ কৰে ইয়াতে এসময়ত বহু বিদ্বান লোক আছিল আৰু পদ্ধতিগত ভাবে ভাষাৰ চৰ্চা চলিছিল। মধ্যযুগীয় সময়ত ইয়াৰে হাকামা গাঁও, শালকোছা গাঁও গৌৰীপুৰত উন্নত মানৰ সংস্কৃত টোল আছিল। আধুনিক অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত আমি নাম ল'ব লাগিব "আবাহন" ৰ পৃষ্ঠপোষক লক্ষীপুৰীয়া জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ। তেওঁ নিজে জমিদাৰ হৈও, অসমীয়া ভাষা সাহিত্যৰ অ… কৰিছিল আৰু আৰ্থিক সাহায্য আগবঢ়াই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল তেওঁ "অসম সাহিত্য সভাৰ" পৰো অলংকৃত কৰিছিল। বিষ্ণুপ্ৰসাদৰাভাৰ বহু সৃষ্টি এই ধুবুৰী জিলাত, তেওঁ… আত্মগোপন কালত হোৱা বুলি কোৱা যায়।

ধুবুৰী জিলাৰ বহু মুছলমান পীৰ আউলিয়া সকলে আ… ভক্তিমূলক গীত-মাতেৰে সৈতে লোকসাধনাৰে লোক সংস্কৃতি সমৃদ্ধ কৰিছিল। মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম অনুষ্ঠানৰূপে আমি ইয়াতে দেখিবলৈ পাওঁ সত্ৰশাল, জিনকাটি, শিমলাবাৰী আদি সত্ৰ সমূহ যত বৈষ্ণৱ ধুবুৰী জিলাৰ কৃষ্টি সাধনাৰ প্ৰতিফলিত কৰি আছে। ধুবুৰীৰ ধৰ্মীয় সমন্বয়ৰ পীঠস্থানৰূপে মহিমামণ্ডিত ইয়াত আছে পাঁচপীৰৰ দৰগাহ, শিখ গুৰু "টেগবাহাদুৰৰ" গুৰুদ্বাৰ নাতিদূৰৈত পানবাৰীৰ মছজিদ, বৰমা… ঈদগাহ, ঐতিহ্যমণ্ডিত কামাখ্যা মন্দিৰ। এই বোৰ ধৰ্মীয় অনু… আমাৰ বৈচিত্ৰময় সমাজজনৰ ধৰ্মীয় কলাকৃষ্টিৰ সমৃদ্ধি তুলি ধৰে আৰু আনহাতে ভাৰতৰ ধৰ্মীয় সহিষ্ণুতা আৰু সম্প্ৰীতিৰ দৃষ্টান্ত প্ৰকাশ কৰে। আমি সেইবাবে ধুবুৰী জিলাক ভাৰতৰ এক ক্ষুদ্ৰ সংস্কৰণ বুলিয়েই ক'ব খোজো, যত মহাপুৰুষ শংকৰদেৱে কৈ যোৱা "ধন্য ধন্য ভাৰতবৰ্ষ" ধ্বনি প্ৰতিধ্বনিত হৈছে। ▣

# শিক্ষাৰ প্ৰয়োজনীয়তা

*দিপাঞ্জলী ৰায়*
বি.এ. ২য় ষাণ্মাসিক

শিক্ষা মানৱ জীৱনৰ এটি অতি প্ৰয়োজনীয় আহিলা ই আমাৰ অলংকাৰস্বৰূপ। শিক্ষাই মানুহৰ মানবিক গুণ বিকাশত অবিহণা যোগায়। শিক্ষাই মানুহক পশুৰ পৰা মানুহৰ শাৰীলৈ উন্নীত কৰে।

মানৱ জীৱনত শিক্ষাৰ প্ৰয়োজনীয়তা অপৰিসীম। শিক্ষাই আমাৰ জীৱনত জ্ঞানৰ নৱ নৱ দুৱাৰ মুকলি কৰি দিয়ে। বিভিন্ন বিষয়ত অধ্যয়নৰ যোগেদি মানুহে পাৰদৰ্শীতা লাভ কৰি সমাজ তথা দেশৰ উন্নতিৰ হকে কাম কৰিব পাৰে। ৰাতিপুৱাৰ সূৰ্যৰ কিৰণে যেনেকৈ পৃথিৱীৰ বুকুত পৰা সকলো এন্ধাৰ আঁতৰাই পোহৰেৰে উদ্ভাসিত কৰি তোলে, ঠিক তেনেকৈ শিক্ষাৰ দ্বাৰা লাভ কৰা জ্ঞানে আমাৰ জীৱনৰ পৰা অজ্ঞানৰূপী এন্ধাৰ আঁতৰাই জীৱন আলোকিত কৰি তোলে।

মানৱ সভ্যতাৰ ক্ৰমবিৱৰ্তনত শিক্ষাৰ ভূমিকা অতিকৈ যোগাত্মক। আদিম যুগত অৰ্থাৎ মানৱ সভ্যতাৰ আৰম্ভনিতে যেতিয়া প্ৰগতিৰ মুখত কোনো ভাগ নাছিল আশ্ৰয় নাছিল মানুহে তেতিয়া প্ৰকৃতিৰ বুকুৰ পৰা লাভ কৰা জ্ঞানেৰে জীৱন সংগ্ৰামত জপিয়াই পৰিছিল। লাহে লাহে ভাষাৰ আবিষ্কাৰে মানুহে ইজনে সিজনৰ লগত অতি সহজেই ভাব বিনিময় কৰিব পৰা হ'ল। এজন ব্যক্তিৰ লব্ধ বিশেষ জ্ঞান সিঁচৰিত হৈ পৰিল অতি সহজেই সকলোৰে মাজত।

আধুনিক শিক্ষাৰ প্ৰসাৰত লিপিৰ আবিষ্কাৰে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলালে। মনৰ ভাববোৰ পাহাৰ পৰ্বত, গুহাৰ কঠিন শিলত লিখি ৰাখিব পৰা গ'ল প্ৰথম বাৰৰ বাবে। মানুহে সভ্যতাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ পেলালে। কাগজ ছপাশাল আদিৰ আবিষ্কাৰে শিক্ষাৰ ব্যৱহাৰিক দিশত এক বৈপ্লবিক পৰিৱৰ্তন ঘটালে। পৃথিৱীখনক এতিয়া হাতৰ মুঠিত লব পৰা হ'ল। সাহিত্য, বিজ্ঞান, অংক শাস্ত্ৰ, চিকিৎসা শাস্ত্ৰ, আয়ুৰ্বেদ, ৰসায়ন, তৰ্কবিজ্ঞান আৰু যে কিমান তাৰ প্ৰবন্ধৰ এই স্বল্প পৰিসৰত লিখি উলিয়াব নোৱাৰি।

শিক্ষাৰ আমাৰ জন্মগত অধিকাৰ। ভাৰতীয় সংবিধানে শিক্ষাক আমাৰ মৌলিক অধিকাৰ ৰূপে স্বীকৃতি দিছে। জাতি, বৰ্ণ, ভাষা, ধৰ্ম নিৰ্বিশেষে আমাৰ সকলোৱে উচিত শিক্ষা গ্ৰহণ কৰি সমাজখন বজাই ৰখা। ◉

# নাৰী সমাজৰ মহাব্যাধি "যৌতুক প্ৰথা"

মমী ৰায়
বি.এ. ২য় ষান্মাসিক

নাৰী সমাজৰ মহাব্যাধিটো হৈছে যৌতুক প্ৰথা। অসমৰ সমস্যা মহাব্যাধি বানপানী যিদৰে নিয়ন্ত্ৰণাধীন নহয়, সেইদৰে এই যৌতুক প্ৰথাও নিয়ন্ত্ৰণহীন। এই যৌতুকৰ কাৰণে বহু নিৰপৰাধি নিৰীহ নাৰীয়ে অত্যাচাৰৰ বলি হৈ প্ৰাণ হেৰুৱাব লগীয়া হৈছে। আজি কালি যৌতুকৰ কাৰণে যৈণীয়েকৰ বা বোৱাৰীয়েকৰ গাত জুই লগাই দি বা নাবে খুঁপিয়াই মৰাৰ দৰে খবৰে বাতৰি কাকতত প্ৰথম স্থান অধিকাৰ কৰিছে।

নাৰীজাতি হৈছে মাতৃ জাতি। সাধাৰণ যৌতুকৰ কাৰণে যেতিয়া এজনী নাৰীক অত্যাচাৰ কৰে বা মাৰি পেলায় তেতিয়া কিয় ভাবি নাচায় যে তেওঁৰ মাতৃও এজনী নাৰী। সমাজৰ নীতি নীতি অনুসৰি এজনী নাৰীয়ে বিয়াৰ মাধ্যমেৰে নিজৰ গাৰ্ড ঘৰ আত্মীয় স্বজন আদি সকলো আপোন মানুহক ত্যাগ কৰি আনৰ ঘৰত আহি আনক আপোন কৰিব লগীয়া হয়। গতিকে যৌতুকৰ বলি হৈ লগিয়া হলে ইয়াতকৈ ডাঙৰ ঘটনা কি হব পাৰে। এনে কিছুমান শহুৰ শাহুৱেক আছে যি সকলে যৌতুকৰ কাৰণে বোৱাৰীয়েকক অত্যাচাৰ কৰে, তেওঁলোকে এবাৰো নাভাবে যে তেওঁলোকৰো জীয়েক আছে আৰু বোৱাৰীজনীয়তো কাৰোবাৰ জীয়েক। যি সকল ব্যক্তিয়ে যৌতুকৰ কাৰণে এজনী নাৰীক জীৱন ধ্বংস কৰে বা হত্যা কৰে সেইসকল নৰবধি এই পৃথিৱীত থকাৰ কোনো অধিকাৰ নাই বুলি কলেও ভুল নহব। ◉



গল্প

# যেনে প্ৰশ্ন তেনে উত্তৰ

মঞ্জিলা খাতুন
দ্বিতীয় ষাণ্মাসিক

এবাৰ বাদছাহে ৰাজ্যৰ সকলোতে এই ঘোষণা দিয়ে যে, ...ই ৰাজ্যত যিমানবোৰ জ্ঞানী গুণী পণ্ডিতলোক আছে সকলোকে ...িমান প্ৰশ্ন সুধিব। প্ৰশ্নৰ উত্তৰ দিব পৰা পণ্ডিত সকলক ভাল ...ন দিয়া হ'ব। বাদছাহৰ ঘোষণা শুনি দেশৰ পণ্ডিত সকল দবি-...ি আহি দৰবাৰত উপস্থিত হ'ল। সন্ধিয়া সময়ত প্ৰশ্নৰ দৰবাৰ ...। পণ্ডিত সকলক উদ্দেশ্য কৰি বাদছাহে প্ৰশ্ন আৰম্ভ কৰিলে। ... প্ৰশ্ন পৃথিৱীৰ কেন্দ্ৰ বিন্দু ক'ত? পণ্ডিত সকলৰ কোনো এজনেও ...শ্নৰ উত্তৰ দিব নোৱাৰিলে। সেই সময়তে মোল্লা চাহাবো দৰবাৰত ...িত আছিল। বাদছাহৰ প্ৰশ্নৰ কোনেও একো উত্তৰ নিদিয়া দেখি ... আঁক নিমাত হৈ বহি নাথাকিল। থিয় হৈয়েই তেওঁ দৰবাৰত ... থকা ঘোঁৰা এটালৈ দেখুৱাই দি বাদছাহৰ প্ৰশ্নৰ উত্তৰ দিলে। ...ী যে ঘোঁৰাটো দেখিছে তাৰ পাছফালৰ বাওঁ ঠেংখনৰ তলত ...ৰ কেন্দ্ৰ বিন্দুটো আছে। মোল্লাৰ কথা শুনি পণ্ডিত সকলৰ ... ফাচ-ফুচ, গুনা-গঁথা লাগিল। এজনেই থিয়হৈ কৈয়েই দিলে ...নুহটোৰ কথা একেবাৰে মিছা। ঘোঁৰাৰ ঠেংৰ তলত পৃথিৱীৰ ... বিন্দু থাকিবই নোৱাৰে। মানুহটোৱে মিছা উত্তৰ দিলে। ...জনৰ কথাত মোল্লাই হাঁহি মুখেৰে কলে, হজুৰ এই পণ্ডিত ... মোৰ কথা সঁচা বুলি বিশ্বাস কৰা নাই। তেনেহলে এজনৰ ... আগেয়ে জোখ-মাখ কৰোৱাই চাওক তাৰ পিছতেই মিছা ...। বাদছাহৰ দ্বিতীয় প্ৰশ্ন- আকাশত কিমান তৰা আছে। সেই ... গোটেইখন আকাশত অসংখ্য তৰাৰে ভৰি আছিল। বহু ...ই দৰবাৰৰ পৰা উঠিগৈ মুকলি আকাশৰ অসংখ্য তৰাবোৰ পিট পিটকৈ চাই গলেহি। কিন্তু কাৰ সাধ্য আছে আকাশৰ তৰা গনি শুদ্ধ উত্তৰ দিবলৈ। পণ্ডিত সকলৰ এজনেও উত্তৰ দিব নোৱাৰিলে সকলোৱে চুপ চাপ হৈ বহি থাকিল। সেই প্ৰশ্নৰ উত্তৰ দিবলৈ মোল্লা চাহাবে এইবাৰো থিয় হল। এইবাৰ তেওঁ স্বয়ং বাদছাহৰ মুখলৈ আঙুলিয়াই কলে হজুৰ আপোনাৰ মুখত থকা চুলিৰ সংখ্যা যিমান, আকাশত থকা তৰাৰ সংখ্যা ঠিক তাৰ দুগুণ হব, এটাও কম, বেছি নহয়।

মোল্লাৰ এনে অদ্ভুত ধৰণৰ উত্তৰ শুনি বাদছাহৰ টিঙিছটৈক খং উঠি গ'ল। বাদছাহই মোল্লাক কলে, কি বাজে উত্তৰবোৰ দিছা হে মোল্লা, মোৰ মুখত থকা চুলিৰ সংখ্যা কিমান সেই কথা জানো তুমি শুদ্ধকৈ কব পাৰিবা। মোল্লাই সহজ ভাবেই উত্তৰ দিলে পাৰিম হজুৰ, পাৰিম ঘোঁৰাৰ নেজত যিমান চুলি আছে আপোনাৰ মুখতো ঠিক সমানেই চুলি থাকিব। বাদছাহ চাহাবৰ খং দুগুণেই চৰিল। মোল্লাই তেওঁক অপমান কৰিব খুজিছে নেকি। সেই খণ্ডতে জ্বলি-পকি তেওঁ মোল্লাক ধমক দি কলে, চুপ থকা মোল্লা, তোমাৰ বাজে কথাৰ কোনো মূল্য নাই। মোল্লা চাহাবে এইবাৰ হাতযোৰ কৰি কলে ক্ষমা কৰিব হজুৰ। আপোনাৰ যেনে প্ৰশ্ন তাৰ উত্তৰো ঠিক তেনেই হ'ব লাগিব। মোৰ উত্তৰ যদি ভুল হয় তেন্তে আপোনাক এই পণ্ডিত সকলেই লগাই দিয়ক জখলা বগাই আকাশত থকা তৰাৰ সংখ্যা গণিবলৈ, ঘোঁৰাৰ নেজৰ চুলিৰ লগত আপোনাৰ মুখৰ চুলিৰ সংখ্যা মিলাই চাবলৈ তাৰ বাহিৰে অন্য কিবা উপায় আছে নে? ▣

# 'যেনে কৰ্ম তেনে ফল'

সঞ্জয় কুমাৰ সৰকাৰ
স্নাতক দ্বিতীয় বৰ্ষ

এসময়ত এগৰাকী মানুহৰ ঘৰত এটা শিয়াল আৰু আন এজন মানুহৰ ঘৰত এটা শহাপহু আছিল। শিয়ালটোৰ মালিকে শিয়ালটোক পেট ভৰাই খাবলৈ নিদিয়ে, কিন্তু শহাপহুটোৰ মালিকে শহাপহুক পেট ভৰাই খাবলৈ দিয়ে। কেতিয়াবা শহাপহুটোৰ খোৱা বস্তু বেছি হৈ যায়। শিয়ালটো ভাবিলে মই যদি সেই শহাপহুটোৰ লগত বন্ধুত্ব স্থাপন কৰো, হয়তো তেওঁ মোক তাৰ খোৱা খাদ্যৰ কিছু অংশ খাবলৈ দিব। এই কথা শিয়ালটোৱে শহাপহুটোক প্ৰস্তাৱ দিলে তুমি মোৰ লগত বন্ধু পাতিবা। এই প্ৰস্তাৱত শহাপহুটো সন্মত হ'ল আৰু তেওঁলোক দুয়ো সেই দিনাৰ পৰা বন্ধু হ'ল।

শিয়াল আৰু শহাপহুটোৰ বন্ধু হোৱাৰ পিছত শিয়ালটোৱে যেতিয়াই শহাপহুটোক খাবলৈ দিয়া দেখা তেতিয়া শিয়ালটোৱে ল'ৰালৰিকৈ শহাপহুটোৰ ওচৰলৈ আহে। শহাপহুটোৱে তেওঁৰ বন্ধুক এনেকৈ দৌৰি অহা দেখি তাক সুন্দৰকৈ তেওঁৰ খোৱা খাদ্যৰ পৰা আধাতকৈ বেছি খাবলৈ দিয়ে। এনেদৰে কিছুদিন খোৱাৰ পিছত শিয়ালটোৰ শৰীৰত কিছু শক্তি আহিল। এদিনাখন শিয়ালটোৱে শহাপহুটোৰ শৰীৰখন চাই দেখিলে শহাপহুটো দিনে দিনে শক্তিশালী হৈ আছে। এই দেখি শিয়ালটোৰ লোভ লাগিল যে তেওঁৰ বন্ধু শহাপহুটোক খোৱা, কিন্তু শিয়ালটোৰ চিন্তা সেই শহাপহুটোক খাব কেনেকৈ? এইদৰে চিন্তা কৰি থাকোতে শিয়ালটোৰ মনত এটা বুদ্ধি উপজিলে তেতিয়া শিয়ালটোৱে কোনো এদিনাখন শহাপহুটোক কলে, হেৰা বন্ধু তুমি দেখিছানে নাই সেই যে হাবিত ভিতৰত বোলে বহুতো দিগনি আছে। তেতিয়া শহাপহুটোৱে কলে, 'অ' হয় নেকি বাৰু? শুনোহলে আৰু পলম নকৰো, বলা আজিয়েই গৈ কেইটামান দিগনি খাই আহোঁ। এনেদৰে শিয়াল আৰু শহাপহুৰ মাজত কথা বতৰা হোৱাৰ পিছত দুয়ো বন্ধু হাবিলৈ যোৱাৰ বাবে সাজু হ'ল। শিয়ালটোৱে পিছৰ পৰা শহাপহুটোক বাট নিজে দেখুৱাই দিলে। শহাপহুটো হাবিত সোমাই দেখাত তাত কোনো দিগনি চিন চাপেই নাই তেতিয়া শহাপহুৱে শিয়ালৰ মনৰ কথা গম পাই, শিয়ালটোৱে হয়তো মোক আজি মাৰি খোৱাৰ বাবে মিছা কথাটো কৈ ইয়ালৈ আনিলে। গতিকে মোৰ আৰু ইয়াত থকা উচিত নহয়। এই কথা ভাবি শহাপহুৱে তৎক্ষণাত নিজৰ ঘৰত আহিলে। ইফালে শিয়ালে শহাপহুক বিচাৰি নাপাই বেজাৰ মনেৰে আহি আছে এনে সময়ত শিয়ালটোৱে শহাপহুক তেওঁৰ ঘৰৰ সন্মুখত দেখা পালে তেতিয়া শিয়ালটোক কলে 'অ' বন্ধু তুমি মোক হাবিত এৰি কিয় আহিছা? কেইটা দিগনি খাইছা? ইয়াৰ পিছত শহাপহু উত্তৰ দিলে, হৈছে হৈছে তোমাৰ নিচিনা দুষ্ট বন্ধু নালাগে আৰু আজিৰে পৰা তুমি মোৰ ঘৰত নাহিবা। সেই দিনৰে পৰা শিয়াল আৰু শহাপহুৰ মাজত বন্ধুত্ব ভাব নাইকিয়া হ'ল।

শিয়ালৰ পেট ভৰা খাই খাই অভ্যাস হৈছে কিন্তু এতিয়া আৰু পেট ভৰা খোৱা ক'ত পাব। গতিকে মালিকে যিখিনি খাবলৈ দিয়ে তাকে খাই গোটেই দিনটো কটাব লগা হয়। এইদৰে দুই-তিনি দিন যোৱাৰ পিছত শিয়ালটোৱে পেটৰ ভোক সহিব নোৱাৰি আ খোৱা লোভতে মানুহৰ ৰন্ধন শালাত সোমাই ধৰা পৰি গিৰিহতৰ লাঠিৰ কোব খোৱা খাই শিয়ালটোৰ মৃত্যু হয়।

ইয়াকে কয় যেনে কৰ্ম তেনে ফল।

# আমি গাওঁলীয়া

নবজ্যোতি ৰায়
স্নাতক দ্বিতীয় ষাণ্মাসিক

বোইবোগীটাৰী নামৰ এখন গাওঁ। সেই গাওঁখনত অশোক নামৰ এজন ল'ৰা আছিল। তেওঁলোক বহুত দুখিয়া শ্ৰেণীৰ মানুহ আছিল। তেওঁৰ দেউতাৰ আছিল এজন খেতিয়ক। অশোক পঢ়া-শুনাত বহুত ভাল আছিল। তেওঁৰ দেউতাকে তেওঁক বহু কষ্ট কৰি পঢ়া-শুনা কৰাইছিল। তেওঁ দশম শ্ৰেণীত ৯৬% পাইছিল আৰু হাইয়াৰ ছেকেণ্ডাৰী পৰীক্ষাত তেওঁ অসমৰ ভিতৰত প্ৰথম স্থান পাইছিল। তাৰ বাবে অসম চৰকাৰে তেওঁক অসমৰ পৰা বাহিৰত পঢ়িবলৈ পঠাইছিল।

কলেজৰ প্ৰথম দিনাখন যেতিয়া অশোকে কলেজলৈ গৈছিল কলেজৰ সকলো ল'ৰা-ছোৱালীয়ে তাক দেখি হাঁহিছিল। কাৰণ অশোক গাওঁত যেনেকৈ কাপোৰ পিন্ধিছিল সেইদিনাখনো তেওঁ তেনেকুৱাই কাপৰ পিন্ধিছিল। চহৰৰ মানুহ কাপৰ যেনেকৈ পিন্ধে গাওঁৰ মানুহৰ কাপোৰ পিন্ধাত বহুত পাৰ্থক্য।

কেইদিন পিছত কলেজৰ আদৰণি সভাত ছাত্ৰ-ছাত্ৰীয়ে গৈ নিজৰ পৰিচয় দিলে আৰু কলেজৰ প্ৰফেচাৰ আৰু বাকি ছাত্ৰ-ছাত্ৰী বিলাকে সকলোকে কিছুমান প্ৰশ্ন কৰিছিল। তাৰ পিছত অশোক আহি, গৈ তেওঁ নিজৰ পৰিচয় দিলে, তাৰ পিছত এজনি ছাত্ৰীয়ে অশোকক প্ৰশ্ন কৰিলে যে তুমি কলেজত এনেকুৱা ধৰণৰ কাপোৰ কিয় পিন্ধি অহা, আপুনি কি নিজকে উন্নতি কৰিব নিবিচৰা নেকি। তেতিয়া অশোকে কলে যে—

মানুহ নিজেই উন্নতি হৈ লাভ নাই
উন্নতি কৰিব লাগে নিজৰ মনটোক।

কাৰণ আজি কালি মানুহৰ হিংসা বেছি হৈছে। চহৰৰ মানুহবোৰৰ বাটত যদি কোনোবা অচিনাকি মানুহ কিবা অসুবিধাত পৰি থাকে, তাক কোনো মানুহে সহায় নকৰে, সহায় কৰাটো পিছত, তাৰ ফালে মানুহবোৰ ঘুৰিয়ে নাচায়। কিন্তু আমাৰ গাওঁৰ মানুহবোৰ এনে ধৰণৰ ব্যৱহাৰ কাৰো লগত নকৰে। আমাৰ গাওঁত যদি এজন মানুহক গোটেই গাওঁৰ মানুহৰ প্ৰয়োজন হয় তথাপি গোটেই গাওঁৰ মানুহ গৈ তাক সহায় কৰিব।

গতিকে নিজকে উন্নতি কৰি একো লাভ নাই, মানুহৰ মৃত্যুৰ পিছত একো নাথাকে। সেই কাৰণে উন্নতি কৰিব লাগে নিজৰ মনটো। যাতে সকলো সময়ত মানুহে মানুহবোৰক সহায় কৰিব পাৰে। আৰু এনে ধৰণৰ মানুহবোৰ মৃত্যুৰ পিছতো চিৰো অমৰ হৈ থাকে মানুহৰ মনৰ মাজত। ▣

# দুখীয়া মানুহক কেতিয়াও অৱহেলা কৰিব নালাগে

বিজু গাঙ্গুলী
ৰামৰাইকুটি ২য় খণ্ড

এটা অত্যান্ত দুখীয়া ঘৰৰ এটা লৰা আছিল ৰমেশ। তেওঁৰ দেউতাক আছিল এজন ৰিক্সাবালা। তেওঁৰ দেউতাকে ৰিক্সা চলাই তেওঁলোকৰ গোটেই পৰিয়ালটো চলাইছিল। ৰমেশ আছিল এজন সকলে পঢ়া পঢ়াৰ প্ৰতি ধাউতি থকা লৰা। দেউতাকে তেওঁৰ পঢ়াৰ প্ৰতি ধাউতি দেখি তেওঁক পঢ়িবলৈ অফুৰন্ত চেষ্টা কৰিছিল। আৰু তেওঁৰ এই চেষ্টাৰ ফলত কেতিয়াবা কেতিয়াবা গোটেই পৰিয়ালটো নাখাই থাকিব লগা হয়। কাৰণ ৰমেশৰ দেউতাকে গোটেই দিন পৰিশ্ৰম কৰি উপাৰ্জন কৰিছিল মাত্ৰ ২০ টকা। সেই ২০ টকাৰে তেওঁ ৰমেশক পঢ়ুৱাইছিল আৰু পৰিয়ালটো চলাইছিল। কেতিয়াবা কেতিয়াবা ৰমেশক পঢ়ুৱাৰ বাবে মাকে মানুহৰ ঘৰত কাম কৰিব লগা হৈছিল। এনেকৈ তেওঁলোকৰ জীৱন অতিবাহিত হৈ আছিল। কেতিয়াবা কেতিয়াবা ৰমেশ নিজেও ৰিক্সা চলাইছিল। কাৰণ ৰমেশ আছিল পৰিয়ালটোৰ ডাঙৰ লৰা।

একদিন হঠাৎ ৰমেশৰ দেউতাক বেমাৰত পৰে আৰু সেই পৰিয়ালটো চলাবলৈ তেওঁ নিজে ঘৰৰ পৰা ওলাই যায়।...?

হঠাৎ বাটতে এটা ছোৱালী আহিল আৰু ৰমেশক কলে— এই ৰিক্সাবালা যাবা নেকি? তেতিয়া ৰমেশে কলে ক'ত যাব মে'ম? ছোৱালীটো কলে যে মই জিৰাবাম উত্তৰা মণ্ডল কলেজত যাম- যাব নেকি? ৰিক্সাওৱালা অৰ্থাৎ ৰমেশে কলে উঠা। মে'মটো ৰিক্সাত উঠিল আৰু উঠতে ফোনত কথা বতৰা পাতি আছিল। আৰু মাজে মাজে ইংৰাজী শব্দ ব্যৱহাৰ কৰি আছিল। ৰিক্সাওৱালা অৰ্থাৎ ৰমেশে তাৰ ইংৰাজী কথা শুনি মাজে মাজে হাঁহি আছিল। সেইটো ছোৱালীটোৱে গ'ম পাই খঙত উদ্ভ্ৰান্ত হৈছিল আৰু ৰমেশক কলে বাধ, মই নামিম! তোমাৰ ৰিক্সাত মই আৰু নাজাও। ৰিক্সাওৱালা অৰ্থাৎ ৰমেশে কলে কিয় মে'ম। নামাব কিয়? মে'মটো ৰিক্সাৰ পৰা খঙৰ মূৰত ৰিক্সাৰ পৰা নামোতে ৰিক্সা এটা গজাল লাগিল আৰু তৎক্ষণাতে ছোৱালীটোৰ ওড়নাটো ফাটি গ'ল আৰু ছোৱালীটো কলে যে- Go to hell .............?

ৰিক্সাওৱালা— কি কল মে'ম মইতো বুজিব পৰা নাই। ছোৱালীটো কলে অৰ্থাৎ (মে'ম) কলে— Does you know the price of this dress? ওঁ আপুনি তো ফিৰ ইংৰাজী নুবুজা...............? কেতিয়াও ইমান দামৰ ড্ৰেছ দেখিছা? তোমাৰ বাবে মোৰ ওড়নাটো ফাটি গল........... অশিক্ষিত গাওঁলিয়া মানুহ.............?

তেতিয়া ৰমেশ অৰ্থাৎ ৰিক্সাওৱালা কলে যে—? No I have never see ................ I am illiterate........... so what? You have made a mistake...........you have told.......... Does you know the price of this dress? This sentence is not correct.......... The correct sentence. Do you know the price of this dress? Got it? Don't try to understimate ignore ok ........... তেতিয়া ছোৱালীজনী কলে আপুনি ইংৰাজী কব জানে? ৰমেশে কলে হয়। মই ইংৰাজীৰ Major-ৰ এজন ছাত্ৰ। আজি মোৰ দেউতাকৰ বেমাৰ আৰু মই মোৰ পৰিয়ালটো চলোৱাৰ বাবে ৰিক্সা চলাই আছো। যিমান দিন লৈকে দেউতাকৰ বেমাৰ ঠিক নহয়। ছোৱালীটো তেতিয়া কলে যে তেনেহলে গাওঁলিয়া হৈ তুমি কিয় কথা বতৰা পতা। তেতিয়া ৰমেশে কলে এইটো মোৰ মূল আৰু মই মোৰ মূলৰ পৰা বেলেগ হব নিবিচাৰো। শিক্ষক মই মোৰ নিজৰ ভিতৰত লালন কৰো। মাথোন

...ৰিবাজী কৈ Modern (মৰ্ডান) হোৱাৰ বাবে শিক্ষা গ্ৰহণ কৰা কৰা নাই। Just মানুহক কেতিয়াও অপমান নকৰিবা আৰু মোৰ ...।

ছোৱালীটো তেতিয়া কলে তেনেহলে আপুনি কি বিচাৰে? ...শ কলে আপুনি এজনী শিক্ষিতা হৈ মাত্ৰ এই কথাটো বুজিব ...বিলে। ছোৱালীটো তেতিয়া বোবা হ'ল আৰু কি কব বুজিব ...না হ'ল। লাজত মুৰটো তলমুৰাকৈ কৰি থাকিল। আৰু কিছু ... পিছত ছোৱালীটোৱে নিজৰ ভুল বুজি পালে আৰু কলে যে ... ক্ষমা কৰিব মই আৰু কেতিয়াও এনেকুৱা ভুল নকৰিম।

বিস্কুটওৱালা অৰ্থাৎ বমেশে তেতিয়া কলে মই একো মনে সেইটোৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিবা। এইটো কৈ বমেশে তাৰ পথা গুচি গ'ল।

সেইবাবে মোৰ বিনিত প্ৰাৰ্থনা যে কেতিয়াও মানুহক দুখীয়া বুলি অবহেলা কৰিব নালাগে। কাৰণ আজি ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী তেওঁ এজন চাহ ওৱালা আছিল । আজি নিজৰ একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু আদৰ্শৰ ফলত ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী হ'ব পাৰিছে। আজি গৰিব বা দুখীয়া নিঠৰুৱা মানুহে বুজে যে আদৰ্শ আৰু শিক্ষাৰ কি মূল। ◉

# আজিৰ খবৰ

বিপুল মালাকাৰ
বি. এ. ৪ৰ্থ ষাণ্মাসিক

...২০২৩ চনৰ মংগল মাহৰ ৩২ তাৰিখে পুৱা ১০ বজাত এটা ...ময় দুৰ্ঘটনা সংঘটিত হৈছিল। ঘটনাটো সংঘটিত হয় ধুবুৰীৰ ...ফুলবাৰীলৈ যোৱা এখন জাহাজ আৰু পুঠি মাছৰ মাজত। ...জখন গৈ থাকোতে পুঠি মাছৰ লগত খুন্দা খুন্দি লাগিছিল। ...ফলত ২২.৫ জন মানুহ নিহত আৰু ৩৪.৫ জন মানুহ আহত ...ল। লগেলগে ভুই নুমুৱাৰ কাৰণে এখন উৰাজাহাজক খবৰ দিয়া হৈছিল। আৰু আহত আৰু নিহত মানুহ সকলক উদ্ধাৰ কৰিবৰ কাৰণে ১০ খন ঠেলাগাড়ীৰ ব্যৱস্থা কৰা হৈছিল। নিহত মানুহবিলাকক চিকিৎসাৰ বাবে খেৰবাৰী স্কুলত নাম ভৰ্তি কৰা হৈছিল। আজিৰ খবৰ ইমানতেই অন্ত কৰিছো। পঢ়োতে আপুনি যদি ভুল কৰিছে। মই এতিয়াই ক্ষমা কৰি দিছোঁ। ▣

# বীৰ শ্বহীদ

বিংকি বা
বি.এ. ৪ৰ্থ ষাণ্মাসি

আমাৰ গাওঁত এজন লৰা আছিল। তেওঁৰ নাম আছিল বিমল। তেওঁৰ পিতৃৰ নাম নৰেশ আৰু তেওঁৰ মাতৃৰ নাম আছিল শুকো। বিমল মাক-বাপেকৰ অতি মৰমৰ লৰা আৰু তিনিজনী ডাঙৰ ভনীৰ আলাহৰ লাডু আছিল। তিনিজনী ভনী আৰু মাক-বাপেকে তেওঁক অতি মৰমেৰে ডাঙৰ দীঘল কৰিছিল। বিমল সৰুৰে পৰা ইণ্ডিয়েন আৰমী (Indian Army)ক ভাল পাইছিল আৰু তেওঁৰ হবি আছিল ইণ্ডিয়েন আৰমী (Indian Army) এইদৰে ইণ্ডিয়েন আৰমিটোৱে তেওঁৰ সপোন হৈ পৰে। তাৰ পিছত বহুতো চেষ্টা কৰাৰ পিছত বহুতো কষ্ট কৰাৰ পিছত তেওঁ ইণ্ডিয়েন আৰমীত যায়। এইদৰে তেওঁৰ চাকৰি জীৱন শুৰু হয়।

আনফালে তেওঁ বিয়া পতাৰ কাৰণে এজনী জীৱন লগৰী বিচাৰি পাইছিল। এতিয়া তেওঁৰ মনত বহুতো আশা জীৱন লগৰীৰ লগত জীৱন যাপন কৰিব। তেওঁৰ ডাঙৰ ভনীৰ এজনী কন্যা সন্তান জন্ম হৈছিল। 27/3/1999 তাৰিখে। তেওঁ মৰমতে তেওঁৰ ভাগিনীৰ নাম ৰাখিলে ৰিংকী। এতিয়া তেওঁৰ মনত বহুতো আশা কাশ্মিৰৰ পৰা উভতি আহি ভাগিনীৰ মুখত ভাত দিব আৰু জীৱন লগৰীজনীৰ লগত বিয়া পাতিব। এইদৰে বহুতো আশা মনত লৈ কাশ্মিৰলৈ যায় তাৰ পিছত 25/7/1999 তাৰিখে তেওঁৰ স্বহীদ হোৱা সেইটো উভতি আহে। তেওঁ উভতি আহিব নোৱাৰিলে উভতি আহিলে মাথোন গুলিৰে ছিন্ন বিচ্ছিন্ন হোৱা ৰক্তাক্ত দেহাটো।

এইদৰে তেওঁ দেশৰ কাৰণে নিজৰ জীৱন দিয়ে। এয়াই হ'ল আমালোকৰ দেশৰ বীৰ শ্বহীদৰ কাহিনী।

এইটো সঁচা কাহিনী। এই কাহিনীত থকা ভাগিনীজনী মই আছিলো। এয়া হ'ল মোৰ মৰমৰ মামাৰ জীৱন কাহিনী। এনেকুৱা মামাৰ ভাগিনী হোৱাৰ কাৰণে মই গৰ্বিত হৈছো। সকলোৱে এনেকুৱা মামাৰ ভাগিনী হ'ব বিচাৰে আৰু আমাৰ দেশত এনেকুৱা বীৰ প্ৰয়োজন।

জয় হিন্দ

জয় হিন্দ

জয় হিন্দ।

******

****

***

# অচিন ল'ৰাৰ অচিনাকি ছোৱালী

দীপশিখা ৰায়
বি.এ. ২য় ষাণ্মাসিক

ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ আগমনিৰ কমলেশ ৰায় আৰু ৰূপালী ৰায়ৰ একমাত্ৰ পুত্ৰ ৰূপম ৰায়। ৰূপম পঢ়া শুনাত বৰ ভাল তেওঁ দেখিবলৈও বৰ ধুনীয়া। ৰূপমে আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত বৰ ভাল ফলাফল দেখুৱাই পাছ কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰি তেওঁ ধুবুৰীৰ B.N. Collegeত বিজ্ঞান শাখাত নামভৰ্তি কৰে। তেওঁৰ পঢ়া-শুনাৰ প্ৰতি ইমান শ্ৰদ্ধা আছিল যে তেওঁ সকলো সময়তে পঢ়া-শুনাৰ কথাকে ভাবিছিল। ৰূপমে উচ্চতৰ মাধ্যমিক পৰীক্ষাতো চাৰিটা লেটাৰ সহকাৰে পাছ কৰে। তাৰ পিছত ৰূপমে পদাৰ্থ বিজ্ঞানত Major সহকাৰে বৰ মনোযোগেৰে B.Sc পঢ়িছিল। তেওঁ সকলো Classত বৰ মনোযোগ দিছিল। শিক্ষকেও তেওঁক বৰ মৰম কৰিছিল। ৰূপমে শিক্ষকক শ্ৰদ্ধা কৰিছিল। শিক্ষকৰ সকলো কথা আখৰে আখৰে পালন কৰিছিল। শিক্ষকে যিবিলাক পঢ়াইছিল তেওঁ অতি মনোযোগেৰে শুনিছিল। তেওঁ ঘৰত আহি সেইবোৰ মনোযোগেৰে পঢ়িছিল। ৰূপমে মাক-দেউতাকক বৰ শ্ৰদ্ধা কৰিছিল। মাক-দেউতাকৰ সকলো কথা মানি চলিছিল। মাক-দেউতাকেও ৰূপমক বৰ মৰম কৰিছিল। ৰূপমে কলেজত বন্ধু-বান্ধৱীৰ লগত বৰ মিলা প্ৰীতিৰে চলিছিল। ৰূপমৰ বন্ধুবিলাকেও তেওঁক বৰ ভাল পাইছিল।

এদিনাখন ৰূপমে তেওঁৰ বন্ধুবিলাকৰ লগত কলেজৰ সন্মুখত বহি পঢ়া-শুনাৰ কথা আলোচনা কৰি আছিল। তেনে সময়তে তিনিজনী ছোৱালী ঈশা, বীয়া আৰু জয়া কথা পাতি হাঁহি হাঁহি কলেজত সোমাইছিল। ৰূপমৰ চকু বীয়াৰ চকুত পৰিছিল। ৰূপমক যেন কিবা স্বৰ্গৰ পৰীয়ে দেখা দিছে তেওঁৰ এনেকুৱা লাগিছে। বীয়াক চাই ৰূপমৰ বুকুৰ ধপ্‌ধপনি উঠিছিল। ৰূপমৰ ইমান ভাল লাগিছিল তেওঁ কল্পনাই কৰিব নোৱাৰে। ৰূপমে ঘৰত গৈ অথনিৰে পৰা বহি কেৱল বীয়াৰ কথাই ভাবি আছে। তাইৰ ধুনীয়া ওঠৰ মিঠা হাঁহিটো আৰু ধুনীয়া মৰম লগা চকুদুটি। ৰূপমৰ মাকে আজি ৰূপমক বেলেগ দেখা পাইছে। মাকে ৰূপমক কৈছে বাবা তোমাৰ কি হৈছে আজি যেইদিন মানৰ পৰা তুমি ভালকৈ কথাও নোকোৱা, পঢ়া-শুনাও নকৰা ভালদৰে, খাবলৈও নোখোৱা ভালদৰে কি হৈছে তোমাৰ? ৰূপমে কলে নাই মা একো হোৱা নাই। এনেকৈ কৈ কলেজলৈ গৈছিল। কলেজতো তেওঁ বন্ধু বান্ধৱীৰ লগত ভালদৰে কথা নোকোৱা হৈছিল। কেৱল বীয়াৰ কথাকে ভাবিছিল। তেওঁৰ বন্ধুসকলে সুধিছিল তোৰ কি হৈছে আমাৰ লগতো ভালদৰে কথা নোকোৱা হৈছা। তোক আজি কালি বেলেগ যেন লাগিছে। তেতিয়া ৰূপমে তেওঁৰ বন্ধুবিলাকক সকলো কথা খুলি কলে। ৰূপমৰ কথা শুনি তেওঁৰ বন্ধুবিলাকে ৰূপমক কলে তুমি বীয়াক লগ ধৰা আৰু সকলো কথা ভাঙি পাতি কোৱা। ৰূপমে বীয়াক এইবোৰ কথা কবলৈ সাহস পোৱা নাছিল। এদিনাখন কলেজৰ পৰা ঘৰলৈ যাওঁতে ৰূপমে ভয় ভয় কৰি বীয়াক মাতিছিল। ৰূপমে তাইক মাতি সুধিছিল। তোমাৰ নাম কি? তাই কলে মোৰ নাম বীয়া। ৰূপমে কলে তুমি কি নতুন কলেজত আহিছা? বীয়াই কলে হয়। ৰূপমে তাইক ভালপোৱাৰ কথাটো কব তেনে সময়তে বীয়াৰ ফোনটো বাজি উঠিল। বীয়াই কলে দাদা মোৰ ঘৰৰ পৰা ফোন আহিছে মই যাওঁ আৰু বীয়াই কলে দাদা অহা বহাগ মাহৰ ২৫ তাৰিখ মোৰ বিয়া আপোনালৈ নিমন্ত্ৰণ থাকিল। বীয়াৰ কথা শুনি ৰূপমৰ মূৰত যেন আকাশ ভাঙি পৰিল। ৰূপমে একো কথা নোকোৱা হৈ থৰ লাগি চাই ৰ'ল।

# সৎ বন্ধু

মঞ্জিলা বেগম
বি.এ. ২য় যাণ্মাসিক

ৰিংকু আৰু পিংকু দুজন বৰ অন্তৰঙ্গ বন্ধু আছিল। দুয়ো একেলগে ঘূৰি-ফুৰি, খেলি বৰ ভাল পায়। ৰিংকু বৰ শান্ত স্বভাৱৰ আৰু পিংকু অলপ দুষ্ট আছিল। তথাপি দুয়োজনৰ মাজত বৰ মিলাপ্ৰীতি আছিল। ৰিংকু দুখীয়া ঘৰৰ ল'ৰা আছিল। কিন্তু পিংকু ধনী ঘৰৰ ল'ৰা আছিল। ৰিংকুৰ মাক-দেউতাকে তেওঁক সময়মতে টকা-পইচাৰ যোগান ধৰিব পৰা নাছিল। কিন্তু পিংকুৱে ৰিংকুৰ ঘৰৰ দুখ কষ্টৰ বিষয়ে গম পায় আৰু তেতিয়া পিংকুৱে ৰিংকুক তেওঁৰ ঘৰৰ পৰা কৈ ৰিংকুৰ স্কুললৈ অহা যোৱাৰ খৰচখিনি পিংকুৱে দিয়ে। ৰিংকু পঢ়াত অত্যন্ত মেধাবী ছাত্ৰ। কিন্তু পিংকু মেধাবী ছাত্ৰ নহয়। দুয়ো সকলে পুৱাই একেলগে স্কুললৈ যায়। শ্ৰেণীকোঠাত একেলগে বহে। শিক্ষকৰ পৰা কিবা বুজি নাপালে পিংকুৱে ৰিংকুৰ পৰা বুজি লয়। ইয়াঁত একজনে আনজনক এনেদৰে সহায় কৰে। তেওঁলোকৰ এনেকুৱা মিলা-প্ৰীতি দেখি শ্ৰেণীকোঠাৰ অন্য ল'ৰা সকলে খঙত জ্বলে।

এদিন এজন ল'ৰাই পিংকুৰ ঘৰলৈ যায়। পিংকুৰ দেউতাকৰ লগধৰি ৰিংকুৰ বিষয়ে বৰ বেয়াকৈ কয় আৰু লগাত ৰিংকু আৰু পিংকু শ্ৰেণী কোঠাত অন্য মনস্ক হৈ থকা বুলি ক'লে। অভিযোগ শুনি দেউতাকৰ বৰ খং উঠিল। দেউতাকে পিংকুক স্কুলৰ পৰা অহাৰ লগে লগে বৰ বেয়াকৈ গালি-শপনি পাৰিল আৰু ৰিংকুৰ লগত লগ ধৰিবলৈ বাধা দিলে। পিংকুৱে এইটো সহ্য কৰিব নোৱাৰি দেউতাকক ক'লে ৰিংকু বৰ ভাল ল'ৰা। শ্ৰেণীকোঠাত মই কিবা নুবুজিলে তেওঁ মোক বুজাই দিয়ে। কিন্তু দেউতাকে সেইবোৰ কথা বিশ্বাস নকৰা বুলি কলে আৰু ৰিংকুৰ লগত লগ ধৰিবলৈ বাধা দিলে। পিছদিনা ৰিংকুৱে যেতিয়া স্কুল যাবলৈ পিংকুক লগ ধৰিবলৈ যায় তেতিয়া পিংকুৰ দেউতাকে ৰিংকুক পিংকুৰ লগ ধৰিবলৈ বাধা দিলে। তাৰ পিছত ৰিংকুৱে কান্দি কান্দি ঘৰলৈ গুচি গ'ল। পিছে পিংকুও স্কুললৈ নগ'ল।

এনেদৰে এদিন নহয়, দুদিন নহয়, একেলগে এসপ্তাহ স্কুল ক্ষতি কৰিলে দুয়ো বন্ধুৱে। এইফালে স্কুলত শিক্ষকে আলোচনা কৰিবলৈ ধৰিলে। একেলগে দুয়োজনে স্কুলত নহাৰ কাৰণ কি? এদিন এজন শিক্ষকে পিংকুৰ ঘৰলৈ গ'ল আৰু পিংকুক সুধিলে স্কুললৈ যোৱা নাই কিয়? তেতিয়া পিংকুৱে কলে চাৰ, এইবোৰ কথাৰ উত্তৰ আপোনাক দেউতাকে দিব। তেতিয়া পিংকুৰ দেউতাকে ঘৰৰ পৰা ওলাই আহি সেই ঠাইখনত উপস্থিত হ'ল। শিক্ষকে পিংকুৰ দেউতাকক ক'লে আপোনাৰ ল'ৰা কিয় স্কুললৈ নাযায়? পিংকুৰ দেউতাকে তেতিয়া শিক্ষকক পিংকুৰ স্কুল নোযোৱাৰ কাৰণবোৰ ক'লে। তৎক্ষণাৎ শিক্ষকজন উপচখাই উঠিল আৰু ক'লে আপোনাৰ ভুল হৈছে। ৰিংকু তেনেকুৱা ধৰণৰ ল'ৰা নহয়। সি আনৰ উপকাৰহে কৰে। সেই কাৰণে শ্ৰেণী কোঠাৰ অন্য ল'ৰাবোৰে তেওঁক দেখি জ্বলে। শিক্ষকৰ কথা শুনি পিংকুৰ দেউতাকৰ ভুল ভাঙিল। তেতিয়াৰে পৰা ৰিংকু আৰু পিংকু আকৌ একেলগে স্কুল যাবলৈ ধৰিলে পিংকু আগতেই কম পঢ়া-শুনা কৰিছিল। ৰিংকুৰ লগত থাকোতে থাকোতে সিও বেছিকৈ পঢ়া-শুনা কৰা হ'ল। সময় অতিক্ৰম হোৱাৰ লগে লগে দুষ্ট পিংকুও শান্ত হ'ল আৰু মেধাৱী হ'ল।

ইয়াকে কয়— "সৎ সংগত স্বৰ্গ বাস"।

# বাদামৱালা আৰু ছোৱালী

হীতৰাম ৰায়
বি.এ. ২য় ষাণ্মাসিক

বাদাম বিক্ৰি কৰি খায় এজন দুখীয়া ল'ৰা আৰু ধনী ঘৰৰ ছোৱালী এজনীয়ে তাৰ বাদাম খাবৰ কাৰণে প্ৰতিদিন তাৰ দোকানত আহে। হঠাৎ এদিন ল'ৰাটোৱে ক'লে মেডাম টকা নেলাগে। ছোৱালীজনীয়ে প্ৰশ্ন কৰিলে কিয় নেলাগে? লৰাটোৱে কলে মেডাম এনেই, ছোৱালীজনীয়ে হাঁহি হাঁহি কলে, আৰে বেৱা তুমি টকা নললে খাবা কি? লৰাজনে কলে, মেডাম আপুনি কিছুদিনৰ পৰা মোৰ দোকানত আহি আছে বাদাম খাবলৈ। আপুনি যেতিয়াৰ পৰা মোৰ এই দোকানত বাদাম কিনিছে তেতিয়াৰ পৰা মোৰ ভাগ্য বদলি গৈছে। মোৰ ব্যৱসায়ত আগতকৈ অধিক লাভ হৈছে সেইবাবে। সেইবাবে মই আপোনাক ফ্ৰি বাদাম খুৱাম। ছোৱালীজনীয়ে কলে, তুমি যদি বিনিময়ত একো নোলোৱা তেন্তে তোমাৰ দোকানত আৰু নাহিম কিজানিবা। লৰাজনে কলে, হয় ঠি আছে বিনিময় লম কিন্তু মই যিটো বিচাৰো দিব লাগিব। ছোৱালী জনীয়ে কলে, তুমি কোৱা কি লাগে? লৰাজনে কলে আপুনি প্ৰতিদিনে দোকানত আহি ২ মিনিট বহি আৰু আপোনাৰ সেই ভাগ্যবান হাতেৰে বাদামৰ চামুচখন এক মিনিট ধৰি বাদাম লৰা-চৰা কৰি দিব, তেতিয়া হলে হ'ব। ছোৱালীজনীয়ে হাঁহি হাঁহি ক'লে ঠিক আছে তোমাৰ কথাত ৰাজি আছো। এনেদৰে ছোৱালীজনী প্ৰতিদিন দোকানত আহে। এনেদৰে কিছুদিন যোৱাৰ পিছত হঠাৎ দুই দিন ধৰি ছোৱালীজনী অহা নাই। ল'ৰাটোৱে খবৰলৈ দেখিলে যে তাই হস্পিটালত আছে। তাইৰ এটা 'কিডনি' ডেমেজ হৈ গৈছে। তাৰ পিছদিনা লৰাটো হস্পিটালত গৈছিল। কিছুদিন যোৱাৰ পিছত ছোৱালীজনী সুস্থ হয় আৰু আকৌ সেই দোকানত বাদাম খাবলৈ আহিল। ল'ৰাটোৱে ছোৱালীজনীক ক'লে মেডাম কেনেকুৱা খবৰ? ইমানদিন অহা নাই কিয়? ছোৱালীজনীয়ে ক'লে মই হস্পিটালত আছিলো, মোৰ 'কিডনি' নষ্ট হৈ গৈছিল। লৰাটোৱে কলে, তাৰ পিছত কি হ'ল? ছোৱালীজনীয়ে কলে তাৰ পিছত কোনে জানো মোক তাৰ কিডনি দান কৰিলে মই তাক বিচাৰি পোৱা নাই। লৰাটোৱে ছোৱালীজনীক কলে- তেনেহলে এটা কাম কৰক হস্পিটালত আপোনাক যিজন নাৰ্চে চোৱা চিতা কৰিছিল সেই নাৰ্চক গৈ সুধক গৈ, তেওঁ হয়তো সকলো জানে। লগে লগে ছোৱালীজনীয়ে পাগলৰ দৰে নাৰ্চৰ ওচৰলৈ গ'ল আৰু কলে— আপুনি কওকচোন মোক 'কিডনি' কোনে দিছিল, নকলে মই মৰি যাম। নাৰ্চজনীয়ে হাঁহি হাঁহি ক'লে- ব'লা মোৰ লগত। তেতিয়া নাৰ্চে তাইক এখন ৰিক্সাত লৈ এখন দুখীয়া গাওঁত গৈ পালে, সৰু এটি ঘৰত গৈ দুইজনীয়ে সোমাল। সৰু ঘৰটোত সুমাই ছোৱালীজনীয়ে দেখিলে সেই 'বাদামৱালা' ল'ৰাটো বহি আছে। ছোৱালীজনীয়ে কন্দা কন্দা সুৰত সুধিলে মোক 'কিডনি' দিছে কোনে? নাৰ্চে কলে- এই সেইজন 'বাদামৱালা' যিয়ে তোমাক নিজৰ 'কিডনি' দান কৰিছে। ছোৱালীজনীয়ে কোনো কথা নোকোৱাকৈ ল'ৰাটোক সাবটি ধৰি ক'লে- "তুমি যদি বিচৰা মই গোটেই জীৱন তোমাৰ বাদামৱালি হৈয়ে থাকিম। ছোৱালীজনীয়ে নাৰ্চক ক'লে- "যাওঁক আপুনি এতিয়াই আমাৰ বিয়াৰ আয়োজন কৰিবলৈ মোৰ ঘৰত কওকগৈ।। ফ্ৰিজ..............

কামতাপুৰী গল্প

# বিধিৰ লেখন

মোনালিছা ৰায়
বি.এ. ২য় ষান্মাসিক

একন গাওঁত একটা হালুৱাৰ বেটা একটা বেটি। বেটাটা ছোট বেটিটা বড়ো। বেটিটা সেই পড়াত পায় আৰ বেটাটা অতো পড়াত নাপায়। উমাৰ বাবাটা কয় যায় মেট্ৰিকত একেবাৰে মাল্লি কাপেৰ পাইবে তাক মুই একটা পুৰস্কাৰ দিম। বেটাটা কয় বাব কিসেৰ মাল্লি ওই বোবা বাবীৰ মাল্লি কায় আৰো কাপেৰ নাপায়। মুই তো দিদিৰ চাইয়ে সেই কাপাং মুই কাপেৰ পাইম। দিদি পাবাৰ নয়। বেটাটা কয় বাবা মুই কাপাইম বাবা। বাবাটা কয় বাবাৰে বোবা বাবীৰ মাল্লি কাপা নোবায় বাবাৰে সেইটা হৈছে মেট্ৰিক যায় পাছ কৰিৰ পাইবে তাক পুৰস্কাৰ দেবাৰ কথা কৈছং। আমৰা তো আগুৰ মেট্ৰিক পাছ তোমৰা দেখি পান না-না নাপান মানসি কয় হালুৱাৰ বেটা বোলে হালুৱা হয়, জালুৱাৰ বেটা বোলে জালুৱা হয়। বেটাটা কয় বাবা আগুৰ কি ওইলা না মানসি যে দেখে ওইলা আৰো কি পাছ কৰে। বেটিটা কয় গাধাটা কিছুই নাজানে। বেটাটা কয় দিদি তুই অমুন না কৰিছ তো বাবা যে কইল। বেটিটা কয় বাবা কি পুৰস্কাৰ দিবু মেট্ৰিক পাছ কৰিলে বাবাটা কয় বেটি কি আৰো দিম বেটি এখান কুইজেৰ বই আনি দিম। আৰো কিছু শিকিৰ পাইবেন। বেটাটা কয় বাবা ওইজে ডেৰো গুলা দেখং বড়ো বড়ো একটা কৰি মোবাইল হাতত নেয় ওইলা মোবাইলেৰ নাম আৰো বোলে ইচকিন টাচ্ ওইলা মোবাইল আৰো নগুল দিয়া নাদিলে হ ছবি দেখা যায়। বাবা ওমুন একটা দিলে মই মাল্লি কাপাইম নাদিলে মুই নাকাপাং। বাবাৰে কোন কথা কোটে কইছ। আমাৰ নাই ছাল চামৰা ওইলা কথা কইলে হইবে। আমৰা এলা গৰীব মানসি তোমাক যদি যেদিনা টাকা আছে ওখুনা টাকা দিয়া যদি মোবাইল কিনি দেং তাইলে না আমাৰ উপাসে থাকা খাইবে। না বাবা তোক মুই ভালকৰি বুঝি কং ভাল মানুষ হন চাকৰি-বাকৰি কৰিবেন মোবাইল কতোদুৰ গেইছে ভাল মানুষ হৈলে চাকৰি কৰিলে একটা মোবাইল কেনে দুই তিনটা মোবাইল কিনিৰ পাইবেন। হয় কিতে বাবা হয় বাবা হয় হয়। বাবা ওইলা কথা নোবায় পড়া-শুনা ভাল কৰি কৰো স্কুল মাৰ্ও ভাল ৰেজাল্ট কৰো বা মাৰ্ও। মানুষক দেখে দেৰ্ও যে হালুৱাৰ বেটা যে হালুৱা হয় সেইটা কথা না হয়। বেটিটা মেট্ৰিকত উঠিল। বেটিটাৰ একটা প্ৰিয় বান্ধবী আছে সেই প্ৰিয় বান্ধবীটা ধনী ঘৰেৰ ছুৱা। উমৰা তো টিউছন পৰে। বেটিটা আসি বাৰিত কয় বাবা সগায় টিউছন পৰে মোৰ তো টিউছন নাই বাবাটা কয় মাৰ্ও টিউছন তো পৰিলে হবাৰ নয় টাকা পইচাৰ কথা আছে মাৰ্ও আমাৰ টকা-পইচা নাই। কয় মাৰ্ও মুই কৈছং না তুই নিজে ভালকৰি পড়া-শুনা কৰেক ভালকৰি পাছ কৰবু। পাৰাৰ মানসি গুলা একদিন কবাৰ ধৰিছে- মাৰ্ও বাপ যে পড়া পড়িছে তাৰ ছুৱাগুলা এলা পাইবে। বেটাটা যায়া শুনি ফেলাইছে। আসিয়া দিদিটাক কয় দিদি পাৰাৰ মানুষগুলা অমুন কৰি কবাৰ ধৰিছে মুই যায়া শুনি ফেলাইছং। দিদি দেখি আমৰা ভালকৰি পাছ কৰিৰ পাইনা নাপাই বাবাৰ মন ৰাখিম আমৰা। মুইয়ো আজিৰ থাকি ভালকৰি পড়িম মানুষ আমাক অমুন কৰি কয়। দেখি মানুষ হবাৰ পাইনা নাপাই। বাবাৰ কথা আমাৰ মাথায় খাইবে। বেটিটাৰ মেট্ৰিক পৰীক্ষাৰ আজি ফাষ্ট দিন ৪টাতে উঠি পড়াত ধৰিছে ৭-৩০টা পৰ্যন্ত পড়া পড়ি উঠি গাৰ্ও ধুইয়া খায়া দায়া মাৰ্ও বাবাক ভক্তি দিয়া গেইল। সেই বান্ধবীৰ যায়া একেসাথে পৰীক্ষা দিবাৰ যাইবে। বান্ধবীটাৰ বাৰী গেইল যায়া দেখে বান্ধবীটা ভাত খাবাৰ ধৰিছে। বান্ধবীটাৰ মাৰ্ও কয় কি দিয়া ভাত খালু মাইয়ো, কয় আলু সিদ্ধ ভাত, কয় আলু সিদ্ধ ভাত দিয়া খায়া ছুৱা

ভাল ৰেজাল্ট কৰিব পায় তো। বান্ধবীটিৰ বাবা কয় কি নিয়া খাইছে খাইছে তুই একে বেশি কথা কইছু। অং কৰি কয় মাইনশক মানসি এইটা মানুশে নোবায় মাইয়ো বেয়া নাপাইস। তখন উইয়া কয় আমৰা হুডি গৰিব মানসি কি আৰ খামো। তোমৰা হইছেন ধনী মানসি তোমৰা মাছ নিয়া খায়া যাও। গৰীপ মানুষেৰ কপাল চাৰিওপাকে মন্দ। বান্ধবীটাৰ ভাত খাবা হৈল দুয়োজনে পৰীক্ষা দিবাৰ গেইল। অমুন কৰি ৫টা পৰীক্ষা শেষ হৈল। লাষ্ট পৰীক্ষাৰ দিন উইয়াৰ মাক কয় মা মুই আজি মোৰ বান্ধবীৰ বাৰী নাযাং কি নিয়া ভাত খাইছং সদায় পুছ কৰে আজি আৰ নাযাং, নাযাইছ নাই মাও আমৰা গৰীব মানসি আমাক মানসি কেমন কৰি কয় দেইখছেন তো মুই ঠাকুৰক কং ঠাকুৰ মোৰ বেটা-বেটিটা যাতে ভালকৰি পাছ কৰে মুখ তুলি দেখিছ। পৰীক্ষা দিয়া আসিল বাবা মাও পুছ কৰে পৰীক্ষা কেমন হৈল। কয় সেই ভাল হৈছে পৰীক্ষা। কয় ভালকৰি পাছ তো কৰিব পাবু। হে পাইম। অমুন কৰি তিন মাস পৰে যেদিন ৰেজাল্ট দেয় সেদিন মাওটা ঠাকুৰক কয় মোৰ বেটিটা যাতে ভালকৰি পাছ কৰে। তখন বাবাটা কয় নেতো ঠাকুৰক কবা নাথায় মুই কইছনো মোৰ বেটি ভাল কৰি পাছ কৰিবে। ১০টাত ৰেজাল্ট দিল বেটিটা ৰেজাল্ট শুনিৰ স্কুল গেইল ৰেজাল্ট শুনি ফুৰ্তি মনে বাৰী আসিল আসি বাবা মাক কইল ফাষ্ট ক্লাছ ৩টা লেটাৰ। মানুষ কয় কি হৈল ৰেজাল্ট তোমাৰ মাইয়োৰ। যেই সুনিল ফাষ্ট ক্লাছ ৩টা লেটাৰ পাবাৰ মানুষেৰ মুখ একেবাৰে বন্ধ হৈল। অমুন কৰি একবছৰ পাছত বেটাটা মেট্ৰিক দিল। মেট্ৰিক পাছ কৰিল ফাষ্ট ক্লাছ ২টা লেটাৰ। বেটা আৰ বেটিটা কয় বা আমৰা না মাল্লি বাপেৰ পাছি আমাৰ পুৰস্কাৰ বাবটা পুৰস্কাৰ বুলি গেইল দুইজেৰ বই দুইজনক দুখান আনি দিল। বাবা মাৰ মন সেই ফুৰ্তি বাবা কয় এলা তাও এখেনা মাইনসেৰ মুখ বন্ধ কৰি দিছেন। তাৰ পৰে দুই বছৰ পাছত বেটিটা উচ্চতৰ মাধ্যমিক পৰীক্ষা দিল প্ৰথমে বেটিটা পাছ কৰিল ফাষ্ট ক্লাছ ২টা লেটাৰ নিয়া। তাৰ পৰে বেটিটা চাকৰিৰ যোগাযোগ কৰিল বেটিটাৰ হাইস্কুলত মাষ্টাৰনীৰ চাকৰি হৈল। তাৰ পৰে বেটাটাও উচ্চতৰ মাধ্যমিক পৰীক্ষা দিল ৰেজাল্ট ভাল হৈল। তাৰ পৰে একবছৰ পাছত বেটাটাৰ পুলিচেৰ চাকৰি হৈল। বাবাটা আৰ মাওটা কয় ভগবান মুখ তুলি দেইখছে। আৰ উমৰা দুইজন দেখে দিল যে হালুৱাৰ বেটা যে হালুৱা না হয় ওইটা প্ৰমান কৰি দিলেক আমৰা আমাৰ বাবা মাৰ মান ৰাখছি, ইয়াকে কয় বিধিৰ লেখন খণ্ডায় কায়। ▣



# মাছৰাঙা আৰ কুৰুয়া পখি

মহেন্দ্ৰ অধিকাৰী
বি.এ. ৪ৰ্থ ষাণ্মাসিক

ক্ষুদ্ৰ বুদ্ধি নামেৰে একটা মাছৰাঙা পাখি একটা ডিগিৰ বগলত একটা গাছেৰ ডালত আছিল। এই ক্ষুদ্ৰবুদ্ধি মাছৰাঙা একদিন অন্য জাগাত বেৰেৰ যায়। বেৰাইতে বেৰাইতে মনিকা দিৰ নামেৰ একটা ডিগি পাইল। মনিকা দিৰত একটা কুৰুৱা পখি আছিল। ক্ষুদ্ৰবুদ্ধি মাছৰাঙা বেৰাইতে বেৰাইতে মনিকা দিৰত দেখে কুৰুৱাটো মাছ ধৰি আছে। বৰো বৰো মাছ ধৰা দেখি ক্ষুদ্ৰবুদ্ধি মাছৰাঙা ভাবিল যদি কুৰুৱাৰ সাতত বন্ধু পাতোং তাহইলে মুইয়ো বৰো বৰো মাছ খাবাৰ পাইম। তাকে ভাবি বুদ্ধি কৰিব ধৰিলেক। কুৰুৱাৰ ৰং মেঘেৰ মতোন দেখি মেঘালী কুৰুৱে বুলি ডেক আৰম্ভ কৰিছে।

"ওৰে মেঘালী কুৰুৱে কি কৰিস"

মেঘালী কুৰুৱে কইল, "অ মুই নাকি, মুই মাছ ধৰি আছোং তুই কায়।"

ক্ষুদ্ৰ বুদ্ধি মাছৰাঙা কইল, "মুই ক্ষুদ্ৰ বুদ্ধি মাছৰাঙা পখি। মুই একেলায় একেলায় ঘুৰি বেৰাং আজি তোৰ দেখা পায়া তোৰ সাতে বন্ধুও কৰিব চাং।"

মেঘালী কুৰুৱে কইল, "ঠিক আছে বন্ধু হইবে।"

একেৰি আলাপ সালাপ কৰি দুয়োজনে নিজেৰ নিজেৰ বাৰি গেইল। মাজে মাজে মাছৰাঙা পাখি কুৰুৱাৰ দেখা কৰে আৰ কুৰুৱে বৰো বৰো মাছ ধৰি দুয়ো বন্ধু খায়। একদিন মেঘালী কুৰুৱে বন্ধু ক্ষুদ্ৰ বুদ্ধি মাছৰাঙাক নিজেৰ বাৰি ধৰি যায় আৰ বৰো বৰো মাছ ধৰি খোৱায়। ক্ষুদ্ৰ বুদ্ধি মাছৰাঙা খায় আৰ ভাবে আজি মুই বন্ধুৰ বাৰিত খায়া আছোং বন্ধুকোতো মোৰ বাৰি নিয়ে জাওয়া খাইবে। জাবাৰ সমে বন্ধুক কয়।—

ক্ষুদ্ৰ বুদ্ধি মাছৰাঙা কয়, "বন্ধু কালি আমাৰ বাৰিত তোৰ খোৱাৰ নিমন্ত্ৰণ ৰইল।"

একেৰি কয়া ক্ষুদ্ৰ বুদ্ধি মাছৰাঙা পাখি নিজেৰ বাৰিত গেইল। পৰেৰ দিন মেঘালী কুৰুৱে ক্ষুদ্ৰবুদ্ধি মাছৰাঙা বন্ধুৰ বাৰিত গেইল। ক্ষুদ্ৰবুদ্ধি মাছৰাঙা পাখি বন্ধু মেঘালী কুৰুৱাক বশিৰ দিল।

ক্ষুদ্ৰবুদ্ধি মাছৰাঙাই কইল, "বন্ধু তুই বইস মুই আহাৰ ধৰি আইসোং।" একেৰি কয়া ক্ষুদ্ৰ বুদ্ধি মাছৰাঙা পখি আহাৰ ধৰিব গেইল। বগলেৰ একটা নদিত গাছেৰ উপুৰে বশি আছে। একটা শইল মাছ ভাসি উঠিল। শইল মাছটাক ধৰোং বুলি ঠোক মাৰিল। মাছটা ঝটকা মাৰি গেইল আৰু ক্ষুদ্ৰ বুদ্ধি মাছৰাঙা পখিৰ ঠোট ভাঙিল। ঠোটেৰ বিষত একটা গছেৰ ডালত বসি আছে।

মেঘালী কুৰুৱে ভাবি আছে বন্ধু বহুকখানে গেইছে এলাও নাই কি হইল জাং খানেক দেখোং। জেয়া দেখে ক্ষুদ্ৰবুদ্ধি মাছৰাঙা পাখি গছেৰ ডালত বসি আছে।

মেঘালী কুৰুৱা কইল, "বন্ধু কি হইল?"

ক্ষুদ্ৰবুদ্ধি মাছৰাঙা কাইল, "শইল মাছ ধইৰতে ঠোটটা ভাঙিল।"

মেঘালী কুৰুৱে কইল,—

"আগে না ভাবিলু
পৰে না গনিলু
বৰোৰ সাতে কৰিলু ভাব
আহাৰো নাপালু
ঠোটো ভাঙিলু এলা
গছেৰ ডালত ঝুমি ঝুমি
থাক এলা বসিয়া।"

English Section

# The Importance of English in India

*Ashraful Hussain*
(M.A., M. Phil)
Dept. of English
Progati College, Agomani

English has remained no-more the language of Britain only, it has become the language of global interaction as well as the language of science, technology and internet. The language has contributed significantly in narrowing the gap between the geographical boundaries. The study of English language in this age of globalization is essential. Without English it is not possible to cope up with the modern world. It is the window to know the world.

English has enjoyed it's hay-day during the British rule in India. It was the first language in the whole country and language of the literate. In every walk of life, it was the vheicle of thought and activity. By the 1700s, English had firmly established itself as the language of administration and many educated Indians were demanding instruction in English as a means of social advancement. By 1857 universities had opened in Mumbai, Kolkata and Chennai and English was increasingly accepted as the language of government, medium of instruction and of the national press.

After Independence there were lots of controversies regarding the use of this language in adminstrative offices as well as a medium of instructions in school and colleges. But there was no simple solution as to which language should replace it. At first Hindi, the most widely spoken language, seemed the obvious choice but following the violent protest in 1963 in the state of Tamil Nadu against the imposition of Hindi as a national language, opinion has remained divided. In a country more than a thousand language, it was difficult to choose a single national language as mother tongue speakers of that language would automatically enjoy greater social status and have easier access to the position of power and influence. Even Gandhi, a proponent of native variety as a national language, accepted that his message was most widely understood if expressed in English. So, although English is not an indigenous language, it remains as an "Associate Language" in India alongside Hindi the official language of India.

In spite of continued pressure from nationalists, English remain at the heart of Indian society. It is widely used in the media, in Higher education and government and therefore remain a common means of communication. According to recent surveys approximately 4% of the Indian population use English. The figure might seem

insufficient but out of the total population this represents 35 million speakers the largest English speaking country outside the U.S.A. and U.K.

We can make use of English to promote our worldview and spiritual heritage throughout the globe. The great preacher of Hinduism Swami Vivekananda established the greatness of India view of relegion at the world conference of relegions in Chicago in 1893. He addressed the gathering in impressive English. Many spiritual gurus have since converted thousands of English people to our spirituality by expressing their thought and ideas in masterful English. English has thus become an effective means of promoting Indian view of life, and strengthening our cultural indentity in the world.

A lot of Indian personalities have won many global awards creative literature in English. A renowned Indian writer in English Arundhati Roy, won the acclaimed Booker Prize for fiction in 1997 for her book "The God of Small Things". Millians of copies of her book were sold all over the world. English has enriched not only the Indian literature globally but also influenced the Bollywood film Industry that acclaimed international fame for the film made by Indian in Elnglish language. In 1998 of a famous Indian film direction, Shekher Kapoor's film "Elizabeth has received 7 nomination for Oscar Awards. In 2007 the sequal of the same film again received two Oscar nomination. "Thus we can't deny that English language has brought India to an international level.

English language is the primary means of scientific communication. Major technological and scientific advancements have been written in this language. This is the age of science. The wrold is changing at a terrific speed. This is all due to the scientific and technological progress which other countries have made. If we want to keep pace with these fast moving countries, scientific and techonogical research must be made in our own land. Almost 60% of world's advanced research is done in English and the rest is quickly translated into English. We can advance only through knowledge of these subject. Ultimately we have to depend upon English. To produce first rate scientists and technicians, English must be taught to our people as good and useful books on these subjects are available in this language only.

The importance of English language in Higher Education can't be ignored. English is the medium of instruction in the renowned universities of India as well as all over the world. If one doesn't have good command over English he/she can't opt for higher studies. Moreover for the proper mental development of a student one must read the great literature of the world and which is only possible in English. Today most of the publishing companies are publishing books in English for higher studies in the world and our country is not far from that as it is the third largest English book producing country after U.S.A. and U.K. Now the literature of other countries and of

our own different languages can be easily obtained in English. Indian writers such as Taru Dutta, Raja Ram Mohan Roy, Vikram Seth, Sarajani Naidu, Arundhati Roy have contributed to the rich literary tradition of India. Most of the works in the field of space, neuclear, technology, medicine are available only in English. Inface "English is the queen of languages" and most of the writers of different field accepted it. Shri C. Rajgopalchari once wrote "English is the greatest gift of goddess Saraswati to India".

In the field of jobs also English has played an important role. In every job description we come accross knowledge of English is mandetory. Knowing English is a definite add an to our prospective candidature. With English one's job role becomes promising and one can serve better. Hence it is important to learn English before stepping to the professional world in order to boost one's candidature and get better jobs with improved perks packages. Without communicating abilities in English one may stand back from participating in office meetings and conversations which hemper their professional performance.

In order to make barrier free communication with collegues and clients knowledge of English is a must. It is an added advantages to help in communication and global level. Many global companies have out sources their operation to India which led to the IT and I Tes boom a few years ago. Many Indian companies also have their offices in English speeking countries. Being able to communicate in English helps interact with your global colleagues as well as advance your carrer prospects. Every business with an international client base uses English language as the prime source of communication. Being able to express yourself and your ideas in English is not just a skill but also an art.

Some of the states of India are witnessing popular increase in public demand for teaching English language from the primary classes. The great demand for admission in English medium schools throughout the country is a testimony to the attraction of English to the people of India. Many of the leaders, who denounce English send their own children to English medium schools. Many of the schools in the country have English as the sole or additional medium of instruction.

Thus the importance of English language in India is great. It is the most common foreign language to communicate. Our students should be encouraged to learn the art of English speaking otherwise the talented one will left behind in future in national or international level if he/she can't express his ideas skillfully. Speaking in English will help to communicate with people from countries all over the world, not just English speaking ones. It must also continue to be the medium of instruction and at the same time, our regional language should not be ignored.

# A simple thinking about life

*Smriti Roy*
*Dept. of Education*
*Progati College, Agomani*

The life is not a bad of roses. But it is important to live in good spirit and take each day as it comes and enjoy living for the moment.

In todays world when every single person wants to bark in the glory of name, fame and money, very few are left who live happy and contended lives. The cut throat competetion that has recently developed, in almost every field is turning out to be dangerous, with rising tendencies of thoughts such as committing suicide by the youngsters, who still have not got a chance to live their lives.

There stands a huge difference between healthy and unhealthy competition, while the former promotes condidence and hard work. The letters promotes negative feelings such as over confidence and jealously, which at the end of the day lead to disastrous result in the both the cases of adult as well as children.

Competition is good as long as it does not go never-board. I believe that people must not try to compete whith others, but test their own potential, because every human being is separated from one another and it unique in his or her own way.

We must realize that the time to do things is now and we must enjoy each passing moment, as it will never come back to us.



## College Body :

| | | |
|---|---|---|
| i) | Mr. Prahlad Ch. Paul | - *President* |
| ii) | Dr. Basir Uddin Bepari | - *Principal cum Secretary* |
| iii) | Mr. Mansur Ali Sarkar | - *G.U. Nominee Member* |
| iv) | Mr. Abdullah | - *G.U. Nominee Member* |
| v) | Mr. Ismail Hussain Sarkar | - *Guardian Member* |
| vi) | Mr. Jadab Nath | - *Guardian Member* |
| vii) | Mrs. Jostna Baruah | - *Guardian Member* |
| viii) | Mr. Bhabesh Kr. Paul | -*Donnar Member* |
| ix) | Mrs. Mala Mazumder | - *Member (Teacher Representative)* |
| x) | Mr. Mozahar Ali | - *Member (Teacher Representative)* |
| xi) | Mr. Sukdev Paul | - *Member (Non-Teaching Representative)* |

সমাপ্ত

# LIbrary Staff



# A view of LIbrary



# Memorable moment of Science College Declaration

